# মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ ইতিবৃত্ত

ড° ফণীভূষণ নাথ
অধ্যক্ষ
মায়ং আঞ্চলিক মহাবিদ্যালয়

আগকথা ঃ

মৰিগাঁও জিলাৰ পশ্চিম প্ৰান্তত প্ৰতিষ্ঠিত মায়ং আঞ্চলিক মহাবিদ্যালয়খন বৃহত্তৰ মায়ং অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষা অনুষ্ঠান। ১৯৯২ চনৰ পৰা এই মহাবিদ্যালয়খনিয়ে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলক স্নাতক মহলা পৰ্যন্ত শিক্ষা গ্ৰহণৰ সুবিধা দি আহিছে। বানপীড়িত, অৰ্থনৈতিকভাৱে অনগ্ৰসৰ এই অঞ্চলৰ বেছিভাগ ছাত্ৰ-ছাত্ৰীয়েই দুখীয়া পৰিয়ালৰ। বাহিৰৰ কলেজত পঢ়ি উচ্চ শিক্ষা লোৱাটো এইসকল ছাত্ৰ-ছাত্ৰীৰ বাবে অলিক সপোন হৈ যেই ৰ'লহেঁতেন যদিহে মায়ং আঞ্চলিক মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ নকৰিলেহেঁতেন। মই প্ৰায়ে কওঁ ১৯৯৫ চনৰ পৰা আজি পৰ্যন্ত মায়ং অঞ্চলিক মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লোৱা প্ৰায় ৮০০ স্নাতকৰ ৭০শতাংশই স্নাতক ডিগ্ৰী অৰ্জন কৰিব নোৱাৰিলেহেঁতেন যদিহে এই মহাবিদ্যালয়খন প্ৰতিষ্ঠা নহ'লহেঁতেন। গতিকে ইমান গুৰুত্বপূৰ্ণ এই অনুষ্ঠানটিৰ জন্মৰ ৰহস্য কিছু পৰিমাণে হ'লেও জনাৰ প্ৰয়োজন আছে; কিয়নো শিক্ষাৰ পোহৰ নোপোৱা এচাম অতি দূৰদৰ্শী মহান ব্যক্তিৰ সু-চিন্তাৰ পৰিণতিত জন্ম হৈছিল এই অনুষ্ঠানটিৰ।

যোৱা ইং ১৯৮৩ চনতে মায়ং অঞ্চলৰ অত্যুৎসাহী, অনুষ্ঠান প্ৰেমী, সৰ্বশ্ৰী ৰসধৰ ডেকা, হংসৰাম শইকীয়া, ৰতিকান্ত শইকীয়া, ৰঘুবৰ নাথ, মোহন বংশী চৰকাৰ, দিপন চন্দ্ৰ নাথ আৰু প্ৰফুল্ল কুমাৰ ভূঞাকে আদি কৰি কেইবাগৰাকী উদ্যোগী লোকে উচ্চ শিক্ষাত অতিকে পিছপৰা মায়ং অঞ্চলত কলেজীয়া শিক্ষাৰ বাবে এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ সপোন ৰচি আহ্বায়কৰ ভূমিকা লৈ যোৱা ৯-১০-১৯৮৩ চনতে মায়ং, পকৰীয়া, বোকনি আৰু মনহা মৌজাৰ ৰাইজক আহ্বান কৰি মায়ং হাইস্কুলত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰিছিল। প্ৰতিকুল বতৰৰ বাবে ৰাইজৰ উপস্থিতি আশানুৰূপ নোহোৱাত তেওঁলোকৰ প্ৰথমবাৰৰ এই প্ৰচেষ্টা বিফল হয়। তথাপি এইসকল আশাশুধীয়া ব্যক্তি নিৰাশ নহৈ পুনৰ ২৮-১-১৯৮৪ তাৰিখে এখন সাধাৰণ সভা অনুষ্ঠিত কৰে। মৰিগাঁও মহাবিদ্যালয়ৰ সেই সময়ৰ উপাধক্ষ্য শ্ৰীযুত নৰেন কেওট আৰু প্ৰবক্তা শ্ৰীযুত গণেশ মেধি উপস্থিত থকা উক্ত সভাত উপস্থিত ৰাইজৰ সৰ্বসন্মতিক্ৰমে মায়ঙত এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ খাটাং সিদ্ধান্ত কৰি তৃতীয় প্ৰস্তাৱ মতে মহাবিদ্যালয়খনৰ নাম 'মায়ং আঞ্চলিক মহাবিদ্যালয়' নামেৰে নামকৰণ কৰি পঞ্চম প্ৰস্তাৱ মতে মায়ং ৰজহ চক্ৰ বিষয়াক সভাপতি, শ্ৰীযুত প্ৰফুল্ল কুমাৰ ভূঞাক সম্পাদক আৰু শ্ৰীযুত দিপন চন্দ্ৰ নাথক সহকাৰী সম্পাদক হিচাপে লৈ ৭৫ জনীয়া তদৰ্থ কমিটি এখন গঠন কৰে। এই সভাতে মঃ আকবৰ আলী ঠাকুৰীয়াই মহাবিদ্যালয়ৰ বাবে ১০ মোন ধান দান দিবলৈ প্ৰতিশ্ৰুতি দি দানৰ পাতনি মেলে। সভাৰ মাজৰ পৰা শ্ৰীযুত যোগেন ডেকাই ৫১ টকা, ৰঘুবৰ নাথে ৫ টকা, কমলাকান্ত দত্তই ২১ টকা দান হিচাপে আগবঢ়াই। আন বহুতো সদস্যই দানৰ প্ৰতিশ্ৰুতি আগবঢ়াইছিল আৰু পৰৱৰ্তী সময়ত তেওঁলোকৰ প্ৰতিশ্ৰুত বৰঙণি আদায়ো দিছিল। ইয়াৰ পিছৰে পৰা মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ প্ৰাৰম্ভিক কাম-

কাজ আৰম্ভ কৰে। ২০-৮-১৯৮৪ তাৰিখে মায়ং আঞ্চলিক উন্নয়ন সমিতিয়ে ৫০০০ টকা প্ৰস্তাৱিত মহাবিদ্যালয়খনলৈ অনুদান আগবঢ়াই এই মহান অনুষ্ঠানটিৰ প্ৰথম খুটি পুতে। উক্ত ধনৰাশি সম্পাদক আৰু সহঃ সম্পাদকৰ যুটীয়া স্বাক্ষৰত মহাবিদ্যালয়ৰ নামত লখিমী গাঁৱলীয়া বেংক, বহা শাখাত ৫ বছৰৰ বাবে স্থায়ী জমা ৰখা হয়। সহকাৰী সম্পাদক শ্ৰীযুত দিপন চন্দ্ৰ নাথৰ প্ৰতিশ্ৰুত বৰঙণি ৫৫১ টকাৰে মহাবিদ্যালয়খনৰ বাবে অনুদান সংগ্ৰহ কৰাৰ উদ্দেশ্যে ১০০০ ৰচিদ বহী ছপা হয়। এনেদৰেই আৰম্ভ হয় মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ কাম-কাজ।

**মাটিৰ আৱন্টন ঃ** মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ বাবে প্ৰথম প্ৰয়োজন আছিল এডোখৰ মাটিৰ। তদৰ্থ কমিটিৰ প্ৰস্তাৱমৰ্মে মায়ং ৰাজহ চক্ৰৰ ৰজামায়ং আৰু ২নং মুৰকাটা কিচামতৰ মুঠ ৬০ বিঘা মাটিৰ আবন্টন পাবলৈ মৰিগাঁও মহকুমাধিপতিৰ ওচৰত আবেদন জনোৱা হ'ল। কিন্তু মহাবিদ্যালয়ৰ শ্ৰেণী আৰম্ভ নকৰিলে ভূমি পট্টন উপদেষ্টা পৰিষদে. মাটি আবণ্টন দিব নোৱাৰে বুলি জনালে। আনহাতে ১৯৮৪ চনত তদানীন্তন শিক্ষামন্ত্ৰী মাননীয় শ্ৰীযুত মুকুট শৰ্মা মায়ং ভ্ৰমণলৈ আহোতে মায়ঙীয়া ৰাইজে কলেজ এখন স্থাপন কৰিবলৈ প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ কৰাৰ কথা জনোৱাত চৰকাৰে কলেজসমূহত থকা প্ৰাক্ বিশ্ববিদ্যালয়ৰ শ্ৰেণী দুটা হাইস্কুলবিলাকলৈ আনি উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাৰ আঁচনিৰ কথা প্ৰকাশ কৰে। গতিকে ৰাইজক কেইবছৰমান পিছত ডিগ্ৰী কলেজ এখন স্থাপন কৰাৰ কথা কৈ যায়। তেখেতে কোৱা মতেই ১৯৮৫ চনত মায়ং হাইস্কুলখন উচ্চতৰ মাধমিক বিদ্যালয়লৈ উন্নীত কৰা হয়।

**মহাবিদ্যালয়খনৰ সফল প্ৰতিষ্ঠা (ডিগ্ৰী কলেজ হিচাপে) ঃ** ১৯৮৭ চনৰ পৰা মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ স্নাতক মহলাৰ শিক্ষাৰ বাবে দূৰদূৰণিৰ মহাবিদ্যালয়লৈ যাব ধৰিলে। এইখিনিতে উল্লেখ কৰিব লাগিব যে মায়ং অঞ্চলটো বানপীড়িত হোৱা বাবে এই অঞ্চলৰ বেছিভাগ লোকেই আৰ্থিকভাৱে অতি দূৰ্বল। আনহাতে ৰাস্তা-ঘাটৰ অৱস্থা অতি পুতৌ লগা হোৱা বাবে অন্যান্য ঠাইৰ লগত যোগাযোগৰ ক্ষেত্ৰত এই অঞ্চলৰ লোক সাংঘাতিক অসুবিধাত পৰিছিল। ফলত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা পাছ কৰাৰ পিছতো ইচ্ছা থাকিলেও বহু ছাত্ৰ-ছাত্ৰী বাহিৰৰ কলেজলৈ উচ্চ শিক্ষা লাভৰ বাবে যাব পৰা নাছিল।

এইবাৰ আকৌ এটা সুবিধা আহিল ৰাইজৰ হাতলৈ। ১৯৯২ চনত মাননীয় শ্ৰীযুত মুকুট শৰ্মা ডাঙৰীয়া ৰাজহ মন্ত্ৰী হিচাপে মায়ং ভ্ৰমণলৈ আহিল। আগৰ কথা সোঁৱৰাই দি মহাবিদ্যালয়ৰ বাবে মাটি বিচাৰি ৰাজহবাভাৰে আবেদন কৰাত শিলডুবি কিচামত ১৩ বিঘা চিলিং উদ্বৃত্ত মাটি মহাবিদ্যালয়ৰ নামত আবণ্টন দিবলৈ উপায়ুক্ত মহোদয়ক কৰ্তৃত্ব দি যায়। আকৌ লেঠা লাগিল। কলেজৰ শ্ৰেণী আৰম্ভ নহ'লে মাটি নাপাওঁ। গতিকে কলেজ এইবাৰ লাগিব বুলি আলোচনা কৰি তদৰ্থ কমিটিয়ে ৰাইজৰ মাজত সজাগতাৰ সৃষ্টি কৰিলে। মায়ং অঞ্চলিক উন্নয়ন কমিটিয়ে ২৫,০০০ টকা অনুদান দিলে।

৩-৫-১৯৯২ তাৰিখে সাধাৰণ সভা আহ্বান কৰা হ'ল। উপস্থিতি সেৰেঙা হোৱাত ১০-৪-১৯৯২ তৰিখে পুনৰ সভাৰ তাৰিখ ঠিক কৰা হ'ল আৰু সিদিনা বিপুল সংখ্যক ৰাইজৰ উপস্থিতিত ১৯৯২-৯৩ চনৰ পৰাই কলেজ আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি সভাই মায়ং ৰাজহ চক্ৰৰ চক্ৰবিষয়া শ্ৰীদিমাচৰণ বড়ো দেৱক সভাপতি, শ্ৰীযুত কালিচৰণ পাটৰ দেৱক কাৰ্যকৰী সভাপতি, শ্ৰীযুত দিপনচন্দ্ৰ নাথক সম্পাদক আৰু শ্ৰীযুত প্ৰফুল্ল ভূঞাক সহকাৰী সম্পাদক হিচাপে লৈ ৪৪ জনীয়া পৰিচালনা কমিটি গঠন কৰে। ২২-৬-৯২ তাৰিখে পৰিচালনা সমিতিৰ সম্পাদক শ্ৰীযুত দিপন চন্দ্ৰ নাথে হাতীমূৰীয়া নিবাসী শ্ৰীমুকুট বিষয়াৰ লগত গৈ জাগীৰোড সমষ্টিৰ বিধায়ক বুবুল দাসৰ জৰিয়তে শিক্ষামন্ত্ৰীৰ ওচৰত মহাবিদ্যালয় স্থাপনৰ অনুমতি বিচাৰি আবেদন দাখিল কৰে। মায়ং অঞ্চলৰ সকলো কৰ্মচাৰীৰ লগত যুটীয়া ভাৱে পৰিচালনা সমিতিৰ সভা অনুষ্ঠিত কৰি সকলো কৰ্মচাৰীকে মহাবিদ্যালয়খন স্থাপনৰ বাবে প্ৰতি বছৰে ৫১.০০ টকা, ১০১.০০ টকা আৰু তদৰ্দ্ধ পৰিমাণৰ বৰঙণি দিবলৈ আহ্বান জনোৱা হয় আৰু প্ৰস্তাৱৰ প্ৰতিলিপি সকলো কৰ্মচাৰীলৈ

প্ৰেৰণ কৰা হয়।

পৰিচালনা সমিতিয়ে 'The Assam Tribune' আৰু 'দৈনিক অসম'ত বিজ্ঞাপন দি মহাবিদ্যালয়খনৰ অধ্যক্ষ পদৰ বাবে আৰু নিৰ্দিষ্ট বিষয়ৰ প্ৰবক্তা পদৰ বাবে আবেদন বিচাৰে। প্ৰবক্তা পদৰ বাবে আবেদন নাহিল। অধ্যক্ষ তথা ইংৰাজী বিষয়ৰ প্ৰবক্তা হিচাপে আবেদনকাৰী স্থানীয় প্ৰাৰ্থী শ্ৰীফণী ভূষণ নাথক প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে ৫-৭-৯২ তাৰিখৰ পৰা প্ৰযোজ্য হোৱাকৈ নিযুক্তি দি বিশ্ববিদ্যালয়ৰ অনুমতি, ছাত্ৰৰ নামভৰ্তি আদি যাৱতীয় কামখিনি কৰিবলৈ দায়িত্ব আৰু কৰ্তৃত্ব প্ৰদান কৰে। বিশ্ববিদ্যালয়ৰ লগত যোগাযোগ কৰি মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ কেওট চাবৰ সহযোগত মহাবিদ্যালয় স্থাপনৰ অনুমতিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল আৰু ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি কৰি ১৩-৮-১৯৯২ তাৰিখে এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানৰ মাধ্যমেৰে কেওঁট চাবৰ জৰিয়তে প্ৰথম পাঠদান কাৰ্যসূচীৰ শুভাৰম্ভ ঘটোৱা হয়। এই ১৩ আগষ্ট দিনটোকে প্ৰতিবছৰে মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস হিচাপে পালন কৰি আহিছোঁ। ১৩ আগষ্টৰ দিনটো মায়ংবাসীৰ বাবে এক স্মৰণীয় আৰু গৌৰৱময় দিন।

**অস্থায়ী গৃহত পাঠদান ঃ** মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ অনুমতি সাপেক্ষে বিদ্যালয়ৰ এটা কোঠা কাৰ্যালয় হিচাপে ব্যৱহাৰ কৰি বিদ্যালয় চৌহদত এখন ৬২´ x ১৫´ অস্থায়ী টিনৰ চালিত তৰ্জাৰ বেৰ দি তিনিটা শ্ৰেণী কোঠা সাজি পাঠদান কাৰ্যসূচী চলোৱা হয়। প্ৰথম অৱস্থাত মহাবিদ্যালয়ৰ স্থায়ী শিক্ষক নিযুক্তি নোহোৱাত উক্ত বিদ্যালয়ৰে বিষয় শিক্ষক সৰ্বশ্ৰী প্ৰফুল্ল কুমাৰ দাস, সুচেন দাস, ভীমবৰ বৰদলৈ, হৰেশ্বৰ ডেকা, ভোগেশ্বৰ বৰা, লোকেন্দ্ৰ হাজৰিকা আৰু তিলক পাঠকৰ সহায়ত পাঠদান চলোৱা হৈছিল। প্ৰথম বছৰত স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰ আছিল ৫১ জন।

**মহাবিদ্যালয়ৰ মাটি আৰু স্থায়ী ভৱন ঃ** ৩১-৩-৯২ তাৰিখে অঞ্চলৰ ৰাইজৰ উপস্থিতিত মায়ং ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মহোদয়ে শিলডুবি কিছামতৰ ১৩ বিঘা চিলিং উদ্বৃত্ত মাটি আৰু ১৪-৩-৯৩ তাৰিখে ৰজামায়ং কিচামতৰ ৬৮৮ নং দাগৰ ২০ বিঘা মাটি কলেজক চমজাই দিয়ে আৰু ৬-১-৯৪ তাৰিখে মাটিখিনি মৰিগাঁও জিলা ভূমি পট্টন উপদেষ্টা পৰিষদে আমাৰ মহাবিদ্যালয়ক স্থায়ীভাৱে আবন্টন দিয়ে। ৩১-৫-৯৪ তাৰিখে উক্ত ২০ বিঘা মাটিৰ দাগটোতে মহাবিদ্যালয়ৰ স্থায়ী ভৱনৰ আধাৰশিলা স্থাপন কৰা হয় তদানীন্তন উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত গোলোক চন্দ্ৰ ৰাজবংশীদেৱৰ দ্বাৰা। তেতিয়াৰে পৰা মহাবিদ্যালয়ৰ নিজা মাটিত কলেজৰ কাম-কাজ চলি আছে।

**বিশ্ববিদ্যালয়ৰ অনুমতি, চৰকাৰী অনুমোদন ইত্যাদি**

মহাবিদ্যালয়খন যদিও ১৯৯২-৯৩ চনতে স্থাপন কৰা হ'ল, বিশ্ববিদ্যালয়ৰ অনুমতি কিন্তু ১৯৯৩-৯৪ চনৰ পৰাহে পোৱা হ'ল। এই অনুমতিৰ ওপৰত চৰকাৰৰ অনুমোদন পাওঁতে আমাৰ দুবছৰ পলম হ'ল; কিয়নো অতি কমেও এটা স্থায়ী ভৱন নোহোৱাকৈ চৰকাৰী অনুমোদন পোৱা নাযায়। যা হওক দেৰিকৈ হ'লেও আমি চৰকাৰী অনুমোদন লাভ কৰিলো। তাৰ পিছত আৰু মহাবিদ্যালয়খনে কি বিশ্ববিদ্যালয়ৰ স্বীকৃতি, কি চৰকাৰৰ বিভাগীয় অনুমোদন আদি লাভ কৰাৰ ক্ষেত্ৰত কোনোদিন পিছলৈ ঘূৰি চাবলগীয়া হোৱা নাই। সকলো কাম সময়মতে হৈ গৈ থাকিল যদিও এটা অতি গুৰুত্বপূৰ্ণ সমস্যাই কলেজ কৰ্তৃপক্ষক জুৰুলা কৰিছিল। যাতায়তৰ অসুবিধাৰ বাবে শিক্ষকসকল মায়ঙলৈ আহিব নোখোজে। আহিলেও কম দিনৰ ভিতৰতে বেলেগলৈ গুচি যায়। কিমান যে শিক্ষক আহিল আৰু গ'ল তাৰ অন্ত নাই। বৰ্তমান অৱশ্যে যাতায়তৰ সুবিধাখিনি হোৱাৰ পৰা এই সমস্যাৰ অন্ত পৰিছে।

আমাৰ মহাবিদ্যালয়খনে ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্থায়ী স্বীকৃতি (Permanent affiliation) লাভ কৰিছে। ইংৰাজীৰ বাহিৰে বাকী আঠাইকেইটা বিষয়তে (মহাবিদ্যালয়ত থকা) মেজৰৰ স্বীকৃতি পোৱা হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ ২ (f) আৰু 12(B) অত আমাৰ কলেজ অন্তৰ্ভূক্ত হৈছে। ইতিমধ্যে one time catch up grant আঁচনিৰে মহাবিদ্যালয়ৰ দুমহলীয়া ভৱনটি নিৰ্মিত হৈছে। UGC আঁচনিৰ অধীনত এটি Indoor Stadium ৰ নিৰ্মাণ কাম

চলি আছে। আসন্ন ভৱিষ্যতত বিভিন্ন উন্নয়নমূলক আঁচনি গ্ৰহণ কৰি অনুদান পোৱাৰ বাবে আবেদন জনোৱা হৈছে।

মায়ং অঞ্চলৰ ৰাইজৰ একতাৰ ফলত আৰু সংঘৱদ্ধ প্ৰচেষ্টাত আজি মায়ং আঞ্চলিক মহাবিদ্যালয় জিলাখনৰ ভিতৰতে এখনি জাকত জিলিকা অনুষ্ঠান হৈ উঠিছে। ১৯৯২ চনৰে পৰা আজি পৰ্যন্ত সামান্য পাৰিতোষিক লৈ অশেষ কষ্ট কৰি শিক্ষকসকলে যিদৰে ছাত্ৰ-ছাত্ৰীক পাঠদানৰ জৰিয়তে পবিত্ৰ সমাজ সেৱা আগবঢ়ালে সি অতুলনীয়। এনে মহান ত্যাগৰ বাবে শিক্ষকসকল সদায় শলাগৰ পাত্ৰ হৈ ৰ'ব। অৱশ্যে যোৱা ১-১-২০১৩ তাৰিখৰ পৰা আমাৰ মহাবিদ্যালয়খন প্ৰাদেশীকৰণৰ আওতাত অহাৰ পৰা শিক্ষক কৰ্মচাৰীৰ লগতে পৰিচালনা সমিতিৰ সদস্যসকলে স্বস্তিৰ নিশ্বাস পেলাইছে।

মহাবিদ্যালয়খনৰ আলোচনীৰ প্ৰথম সংখ্যা বুলি ইয়াত মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ অন্তৰালত থকা কথাখিনি প্ৰতিফলিত হ'লে ভাল হ'ব বুলি বিবেচনা কৰিহে থূলমূলকৈ এইখিনি বৰ্ণনা আগবঢ়ালো।

এই কথাখিনি লিখি থাকোতে বাৰে বাৰে আজি প্ৰয়াত দিপন চন্দ্ৰ নাথ চাৰলৈ মনত পৰিছে। প্ৰতিষ্ঠাপক সম্পাদক হিচাপে ২০০৮ চন পৰ্যন্ত কাৰ্যভাৰ সম্পাদন কৰি নিজেই যেন মহাবিদ্যালয়খন হৈ পৰিছিল এই গৰাকী মহান ব্যক্তি। তেখেতৰ নেতৃত্বত অঞ্চলৰ বহু সংখ্যক দূৰদৰ্শী ব্যক্তিৰ (নাম লৈ শেষ কৰিব নোৱাৰি) আশাশুধীয়া প্ৰচেষ্টাত এই মহাবিদ্যালয়খন বৰ্তমান পৰ্যায়ত উপনীত হৈছে। একাধাৰে এগৰাকী আদৰ্শ শিক্ষক, সমাজ সংগঠক, সাহিত্যিক, অনুষ্ঠান নিৰ্মাতা তথা মহাবিদ্যালয়ত প্ৰতিষ্ঠাপক সম্পাদক প্ৰয়াত দিপন চন্দ্ৰ নাথৰ স্মৃতি সজীৱ কৰি ৰখাৰ বাবে মহাবিদ্যালয়ৰ পুথিভঁৰালটি 'দিপন চন্দ্ৰ নাথ পুথিভঁৰাল' নামেৰে নামকৰণ কৰা হৈছে।

মায়ং আঞ্চলিক মহাবিদ্যালয়ে সদায় গুণগত শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। অৰ্থনৈতিক, শৈক্ষিক আদি দিশত অনগ্ৰসৰ মায়ং অঞ্চলৰ জাতি-বৰ্ণ - ধৰ্ম নিৰ্বিশেষে ধনী-দুখীয়া সকলো ছাত্ৰ-ছাত্ৰীকে স্থানীয়ভাৱে স্নাতক মহলা পৰ্যন্ত উচ্চ শিক্ষা প্ৰদান কৰি শাৰীৰিক, মানসিক, বৌদ্ধিক, আধ্যাত্মিক উৎকৰ্ষ সাধনৰ জৰিয়তে একো একোজন সৎ চৰিত্ৰবান সমাজ সচেতন নাগৰিক হিচাপে গঢ়ি তোলাই হৈছে আমাৰ মূল উদ্দেশ্য। মহাবিদ্যালয়খনৰ এই লক্ষ্য, উদ্দেশ্য সফল কৰিবলৈ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী, সমাজৰ আগশাৰীৰ ব্যক্তিসকলৰ সমূহীয়া প্ৰচেষ্টাৰ প্ৰয়োজন। সেয়েহে সকলোৰে প্ৰতি আমাৰ আহ্বান - "আহক আমি হাতে হাত ধৰি মহাবিদ্যালয়খনৰ উন্নয়নৰ হকে কৰ্মত ব্ৰতী হৈ সুস্থ সবল সমাজ গঠনৰ অৰিহণা যোগাওঁ আৰু সৰ্বত্ৰ অশান্ত জৰ্জৰ বৰ্তমানৰ সামাজিক, ৰাজনৈতিক পৰিস্থিতিৰ অৱসান ঘটাওঁ।" ■

> আনক সমালোচনা কৰিবলৈ যাওঁতে প্ৰথমতে নিজৰ সমালোচনা কৰা উচিত। নিজে শুদ্ধ আৰু পবিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰে।
>
> — **চক্ৰেটিছ**
>
> ✧ ★ ✧
>
> নিজৰ সুখেই যাৰ জীৱনৰ লক্ষ্য, তেওঁ এজন অসৎ লোক আৰু আনৰ প্ৰশংসা পোৱাটোৱেই যাৰ লক্ষ্য তেওঁ এজন দুৰ্বল লোক, আনৰ সুখেই যাৰ জীৱনৰ লক্ষ্য তেওঁ এজন সৎ, মহৎ লোক।
>
> — **টলষ্টয়**

# লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ
# সাহিত্য-কৰ্মত সমাজ জীৱনৰ প্ৰতিফলন

ড° গুণেশ্বৰ ডেকা
মুৰব্বী অধ্যাপক,
ৰাজনীতি বিজ্ঞান বিভাগ

**আৰম্ভণি ঃ**

আধুনিক অসমীয়া সাহিত্যৰ মহানতম্ ব্যক্তি হৈছে লক্ষ্মীনাথ বেজবৰুৱাদেৱ। আধুনিক অসমীয়া সাহিত্যৰ উদ্যানখনিৰ আটাইবিলাক পুষ্পই প্ৰস্ফুটিত হৈছিল সাহিত্য খনিকৰ বেজবৰুৱাদেৱৰ কোমল হাতৰ পৰশ পাই। সাহিত্যৰসৰ সমস্ত ৰসেই যেন পৰিপূৰ্ণ হৈ পৰিছে আধুনিক অসমীয়া সাহিত্য 'মৌচাক'ত। ক'বলৈ গ'লে বেজবৰুৱাদেৱ আধুনিক অসমীয়া সাহিত্যৰ জনকস্বৰূপ। সাহিত্য আৰু সমাজ এটি মুদ্ৰাৰ দুটি পিঠিৰ দৰে। যেতিয়াই অসমীয়া সমাজে সাহিত্য সংস্কৃতি ৰক্ষা কৰাত বিপদত পৰিছিল তেতিয়াই সম্ৰাটৰ দৰে, মহানায়কৰ দৰে অসমীয়া সাহিত্যক বিশ্ব দৰবাৰলৈকে আগবঢ়াই লৈ গৈছিল। আধুনিক অসমীয়া সাহিত্য বিকাশৰ ক্ষেত্ৰত বেজবৰুৱাদেৱ যেন অসম সম্ৰাট। পৰাধীনতাৰ তাড়নাত ছটফটাই থকা নিৰস অসমীয়া সমাজৰ বাবে যেন তেওঁ ৰসৰাজ আৰু অসমীয়া সাহিত্য সংৰক্ষণৰ সংগ্ৰামৰ সময়ত দুৰ্বলী অসমীয়া সাহিত্যৰ বাবে যেন তেওঁ সাহিত্যৰথী। ১৯৪০ চনৰ আগলৈকে অৰ্ধ শতিকা ধৰি আধুনিক অসমীয়া সাহিত্যিকসকলে বেজবৰুৱাদেৱক গুৰু জ্ঞান কৰিছিল আৰু তেওঁলোকৰ সাহিত্য আকাশখনৰ এটি উজ্জ্বল 'নক্ষত্ৰ'ৰ দৰে শ্ৰদ্ধা জনাইছিল। তেখেতৰ সাহিত্য ৰঙৰ তুলিকাত অসমীয়া সমাজৰ দুৰ্বলতা, কু-সংস্কাৰ, অন্ধবিশ্বাস, পৰাধীনতাৰ মনোভাবৰ প্ৰতিচ্ছবিবোৰ প্ৰকাশ কৰাই অসমীয়া সমাজক নিজকে চাবলৈ শিক্ষা দিছিল। সেইবিলাক আঁতৰাই বিশ্ব সাহিত্যৰ সম্ভাৰে অসমীয়া ভাষা সাহিত্যক মহীয়ান কৰি নতুন অসমীয়া সাহিত্য সৃষ্টিৰ কাণ্ডাৰী হৈ অসমীয়া সমাজৰ নৱ-জাগৰণৰ পথ প্ৰশস্ত কৰিছিল। চল্লিশৰ দশকৰ পিছত একবিংশ শতিকালৈকে অসমত অলেখ সাহিত্যিকৰ, লেখকৰ জন্ম হৈছে। তথাপি যেন বেজবৰুৱাৰ দৰে নিষ্কলঙ্ক সাহিত্য সৃষ্টি কৰাত ব্যৰ্থ হৈছে। সাহিত্য হৈছে সমাজৰ দাপোন স্বৰূপ। এই ভাৱাদৰ্শ যেন বেজবৰুৱাদেৱৰ লিখনিত অতি পৰিস্কাৰ। সেয়ে বৰ্তমান সময়ত বেজবৰুৱাদেৱৰ লিখনিৰ মাজত বাস্তৱ প্ৰতিফলন অধ্যয়ন কৰাটো অতি সময় সাপেক্ষ।[১]

**মূল-উদ্দেশ্য ঃ**

আজি অসমীয়া সমাজত সাহিত্য আৰু সংস্কৃতি লৈ যি বিভ্ৰাটৰ সৃষ্টি হৈছে এনে অনুভৱ হয় যেন বৰ্তমানৰ সাহিত্য কৰ্মৰাজিত ৰসভৰা, প্ৰেমভৰা, মানৱীয় কলা-কৌশলৰ অভাৱ ঘটিছে। সেয়ে আধুনিক অসমীয়া সমাজক সাহিত্যৰ ৰসেৰে বান্ধি বৰ অসমীয়া কৰি ৰাখিবলৈ হ'লে সাহিত্যৰথী বেজবৰুৱাদেৱৰ আগমন অতিকৈ প্ৰয়োজন। তাৰে হৈ তেখেতৰ লিখনি সম্ভাৰৰ মাজেৰে এটি নিৰপেক্ষ বিশ্লেষণৰ চেষ্টা কৰিবলৈ বিচৰা হৈছে এই আহুত অধ্যয়ন ক্ষেত্ৰত।

**অধ্যয়নৰ দৃষ্টিভংগী ঃ**

সাহিত্য বুলি ক'লে ৰসভাবৰ এটি অপূৰ্ব সমন্বয়। সাহিত্য ভাৱৰ ৰস-সাগৰত বেজবৰুৱাদেৱে গভীৰভাৱে বুৰ মাৰি অসমীয়া সাহিত্যত যি আপুৰুগীয়া মণি-মুক্তাৰ

সাঁচ বহুৱালে, ই হৈছে এক প্ৰকাৰ অসমীয়া সমাজৰ নতুন পৰিচয়। অসমৰ নব্য সাহিত্য সমাজৰ যি নৱ উত্থান আৰু নৱ সংযোজন, বেজবৰুৱাদেৱৰ তেনে বিশ্বজনীন বা সাৰ্বজনীন ভাৱাদৰ্শ পুনৰ প্ৰকাশ কৰাৰ প্ৰয়াস কৰা হৈছে আমাৰ এই ক্ষুদ্ৰ লেখনিৰ জৰিয়তে। বেজবৰুৱাদেৱৰ লেখাসমূহত সমাজৰ প্ৰতিফলন অৰ্থাৎ নতুন অসমীয়া সাহিত্য সংস্কৃতি গঢ়াৰ যি প্ৰয়াস তাক দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

আমাৰ লেখাখিনি সংগ্ৰহ কৰোতে বিভিন্ন গ্ৰন্থাগাৰৰ পৰা বেজবৰুৱাৰ জীৱনীৰ ওপৰত লিখা বিভিন্ন গ্ৰন্থ আৰু আলোচনীৰ সহায় লোৱা হৈছে। লগতে বিশিষ্ট লোকৰ সাক্ষাৎকাৰো গ্ৰহণ কৰা হৈছে।

**পটভূমি ঃ**

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসৰি ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ লগতে অসমখনো বৃটিছৰ অধীন হয়। এই চনতেই অসমৰ ৰাজনৈতিক ইতিহাসৰ পৰিৱৰ্তন হোৱাৰ লগতে সাহিত্য সংস্কৃতিৰো বিশেষভাৱে পৰিৱৰ্তন হোৱা দেখা যায়। ইতিমধ্যে মোৱামৰীয়া বিদ্ৰোহ, মানৰ তিনিটা আক্ৰমণে অসমৰ মানৱ শক্তি একেবাৰে সীমিত কৰি পেলাইছিল। তেনেস্থলত সাহিত্য কলাৰ সৃষ্টি একেবাৰেই নোহোৱা হৈছিল বুলি ক'লেও ভুল কোৱা নহ'ব। ইংৰাজে অসমখন অধীন কৰি লোৱাৰ পিছতে বাংলা, হিন্দী, ইংৰাজী আদি বিবিধ ভাষা-ভাষীসকলে, বিশেষকৈ বঙালীসকল আহি অসমত ভৰি পৰে। তাৰে ভিতৰত কিছুমান স্বাৰ্থান্বেষী বঙালীয়ে প্ৰচাৰ কৰিলে যে, অসমীয়া এটা স্বতন্ত্ৰ ভাষা নহয়, মূল বাংলা ভাষাৰেই ই এটা উপভাষা। ইংৰাজসকলে বঙালীসকলৰ প্ৰৰোচনাত পৰি অসমৰ অফিচ-আদালত, শিক্ষানুষ্ঠান আদিৰ পৰা অসমীয়া ভাষা উঠাই বাংলা ভাষা প্ৰৱৰ্তন কৰে। "ইয়াৰ ফলত পাঁচশ বছৰ ধৰি সুস্থ সবলভাৱে আগবাঢ়ি অহা অসমীয়া-সাহিত্য বহু উপসৰ্গ-পৰিবৃত-ৰোগাক্ৰান্ত হৈ পৰে আৰু বিকৃত ৰূপত সেহাই সেহাই প্ৰাণৰক্ষা কৰে মাত্ৰ।"[২]

এইখিনিতে অসমীয়া ভাষা-সংস্কৃতিৰ সৌভাগ্যৰ দুৱাৰ মুকলি কৰে আমেৰিকান বেপ্তিষ্ট মিছনেৰীসকলে। মিছনেৰীসকলে খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ অৰ্থে অসমলৈ আহি স্ব-গৃহতে অসমীয়া ভাষাই বঙালীৰ হাতত এলাগী হ'বলগীয়া ৰূপটো অনুধাৱন কৰি এক প্ৰকাৰ অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা কৰাৰ সংকল্প গ্ৰহণ কৰে। তাকে কৰিবলৈ গৈ তেওঁলোকে অসমীয়া ভাষাটো আয়ত্ব কৰি 'অৰুণোদই' (১৮৪৬) সংবাদ পত্ৰৰ উদ্ভাৱনৰ জৰিয়তে বিভিন্ন ধৰণৰ সাহিত্য সাধনা কৰে। এক প্ৰকাৰে ইয়াতে আধুনিক যুগৰ আৰম্ভ হয় বুলি ক'ব পাৰি। মিছনেৰীসকলৰ লগতে অসমীয়া ভাষা সাহিত্যক টনকিয়াল কৰি তুলিবলৈ কলিকতাত থকা প্ৰবাসী ছাত্ৰ চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা আদিয়ে মিলিত হৈ ১৮৮৮ চনত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' গঠন কৰে। এই সভাৰে মুখপত্ৰ স্বৰূপে ১৮৮৯ চনত মাহেকীয়া 'জোনাকী'য়ে জন্মলাভ কৰে। সেয়ে ক'ব পাৰি "ঊনবিংশ শতিকাৰ শেহত ১৮৮৯ খ্ৰী.ত জোনাকী আলোচনী প্ৰকাশ হোৱাৰ পূৰ্বে অসমীয়া সাহিত্যৰ বৌদ্ধিক পটভূমি এটা গঢ় লৈ উঠিছিল যদিও যথাৰ্থ নৱন্যাস আন্দোলনৰ শুভাৰম্ভ হয় জোনাকীৰ যোগেদিহে।"[৩]

'জোনাকী' দলটোৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ অগ্ৰণী ভূমিকা আছিল। বেজবৰুৱাদেৱৰ চেষ্টা আৰু ব্যক্তিত্বৰ চূড়া সবাতোকৈ ওপৰত উজলি উঠাৰ কাৰণে সকলো সাহিত্যিকে তেওঁক অনুপ্ৰেৰণা আৰু অনুশাসনৰ বাবে মূৰ তুলি চাইছিল। বেজবৰুৱাদেৱৰ অভ্ৰভেদী ব্যক্তিত্বক চেৰ পেলাব পৰাটো সহজসাধ্য নাছিল। সেয়ে ১৮৮৯ চনৰ পৰা ১৯৪০ চনৰ এই কালছোৱাক 'বেজবৰুৱাৰ যুগ' বুলিও আখ্যা দিয়া হয়।

**বেজবৰুৱা আৰু অসমীয়া সমাজ ঃ**

অসমীয়া সমাজৰ উন্নতি আৰু সংস্কাৰ সাধনেই আছিল বেজবৰুৱাৰ প্ৰধান কাম্য। সেয়েহে বেজবৰুৱাই হাতত তুলি লৈছিল সাহিত্য। কিয়নো বেজবৰুৱাই ভালদৰেই উপলব্ধি কৰিছিল যে ঊনবিংশ শতিকাৰ যি সমাজ ব্যৱস্থা, মানুহৰ মনৰ অস্থিৰতা, কু-সংস্কাৰ, অন্ধবিশ্বাসৰ গভীৰতা তথা বৃটিছ শাসনৰ ফলত আহি পৰা সামাজিক দুৰাৱস্থা ইত্যাদি দিশৰ পৰা মানুহৰ মানবীয় চেতনা ঘূৰাই আনিবলৈ এটা মাথো সহজ পন্থা আছিল, সেয়া হৈছে সাহিত্য। এক কথাত ক'ব পাৰি যে সাহিত্য

সাধনাই আছিল বেজবৰুৱাৰ জীৱনৰ প্ৰধান লক্ষ্য। উনবিংশ শতিকাত আধুনিক জন-জীৱনৰ মাজলৈ গৈ ইমান ওচৰ চপাটো, এখন সু-শৃংখলিত পদুৰৈ সমাজ গঢ়ি তোলাটো খুব সহজ কথা নাছিল। এই ক্ষেত্ৰত অৱশ্যে হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা এই ত্ৰিমূৰ্তিৰ প্ৰচেষ্টাত প্ৰকাশিত হোৱা 'জোনাকী' (১৮৮৯) কাকতে সোণালী যুগৰ ভূমিকা গ্ৰহণ কৰিছিল। অকল 'জোনাকী' আলোচনীয়েই নহয়, নিজে প্ৰকাশ কৰা 'বাঁহী' (১৯০৯)ৰ মাজেদিও বেজবৰুৱাই হাস্য, ব্যঙ্গ, কৌতুক, কটাক্ষ, বিষাদ-কৰুণাৰ মাজেদি সমাজৰ সকলো স্তৰৰ লোককে প্ৰভাৱিত কৰিব পৰাকৈ সাহিত্যৰ ন-ন দিশ কিছুমান উন্মোচন কৰিছিল।

বেজবৰুৱাই তেওঁৰ ৰচনাত তদানীন্তন অসমীয়া সমাজৰ কোনো এটা দিশকে এৰি থৈ যোৱা নাই। কেতিয়াবা যদি তেওঁ সমাজৰ তথাকথিত কু-সংস্কাৰ, ভণ্ডামীৰ বিপক্ষে মাত মাতিছে; আন কেতিয়াবা আকৌ সমাজ সংস্কাৰৰ হকে মাত মাতিছে। "বেজবৰুৱাৰ সাহিত্যতে এফালে যেনেকৈ ন-ভাঙনি মাটিৰ পৰিচয় পোৱা যায়, আনফালে তেনেকৈ জাতীয় লোক-মানসক, ঐতিহ্যক সেই মাটিত এক নতুন অৰ্থ দান কৰাৰ প্ৰচেষ্টাও পৰিলক্ষিত হয়।"

ঊনৈশ শতিকাৰ পাশ্চাত্য চিন্তাধাৰাৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত ভাৱধাৰাই এনেদৰে বেজবৰুৱাৰ দৰে প্ৰবাসী ছাত্ৰসকলৰ চিন্তাক নতুনকৈ গঢ় দিছিল, যাৰ ফলত সমাজৰ প্ৰতি তেওঁলোকৰ দৃষ্টিভংগীৰ পৰিবৰ্তন সাধিছিল আৰু সাহিত্যত নতুন যুগৰ সূচনা কৰিবলৈ প্ৰেৰণা যোগাইছিল। বেজবৰুৱাই তেওঁৰ দ্বাৰা সৃষ্টি গল্প, উপন্যাস, কবিতা, নাটক, শিশু-সাহিত্য, ব্যঙ্গাত্মক ৰচনা, আত্ম-জীৱনী সকলোতে তেওঁৰ সম-সাময়িক সমাজখনৰ ছবি সুন্দৰভাৱে অৱলোকন কৰিছে। তলত তেওঁৰ সাহিত্যৰ মাজেদি প্ৰতিফলিত হোৱা তথাকথিত সমাজখনৰ গুৰুত্বপূৰ্ণ দিশবোৰৰ কিছু আভাস দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ল —

**ক) বেজবৰুৱাৰ গল্পত সমাজ জীৱনৰ প্ৰতিফলন ঃ**

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ হাততেই চুটি গল্প ৰচনাৰ প্ৰথম দুৱাৰ মুকলি হ'য়। 'জোনাকী' (১৮৮৯) আলোচনীৰ ৪ৰ্থ বছৰ ৮ম সংখ্যাত তেখেতৰ 'পণ্ডিত মহাশয়' গল্পৰ জৰিয়তে অসমীয়া সাহিত্যত চুটি গল্পৰ শুভাৰম্ভ হয়। ইয়াৰ পিছতে 'বাঁহী' পৰ্যন্ত এক নিৰৱচ্ছিন্ন গতিৰে তেওঁ চুটিগল্প ৰচনাত মগ্ন হৈছিল। তেওঁৰ মুঠ গল্প পুথি চাৰিখন - (১)সুৰভি, (২) সাধুকথাৰ কুকি, (৩) জোনবিৰি আৰু (৪) কেঁহোকলি। তেওঁৰ গল্পসমূহৰ ভিতৰত লাওখোলা, ধোৱাখোৱা, ভদৰী, সেউতী, কাশীবাসী, পাতমুগী, মুক্তি আদি সাৰ্থক সৃষ্টি।

'জোনাকী' আলোচনীত প্ৰকাশিত বেজবৰুৱাৰ গল্প আধুনিক চুটি গল্পৰ কলা-কৌশলেৰে সাৰ্থক নহয় যদিও তেওঁ অসমীয়া গল্প সাহিত্যক সাধুকথাৰ পৰা আঁতৰাই আনি চুটি গল্পৰ বহুখিনি ওচৰ চপাই আনিলে। বহু ক্ষেত্ৰত প্ৰশ্ন উত্থাপন হয় যে, বেজবৰুৱাই গল্প আৰু সাধুৰ মাজত প্ৰায় পাৰ্থক্য ৰক্ষা কৰা নাছিল। চুটি গল্প ৰচনাৰ পূৰ্বতে তেওঁ নিজৰ কাহিনীবোৰক 'সাধু' বুলিছিল যদিও পৰৱৰ্তী কালত তেওঁ 'গল্প' আখ্যা দিয়া দেখা যায়।

লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পত বিশেষকৈ সমকালীন সমাজ চেতনাৰ পৰা বিষয় বস্তু গ্ৰহণ কৰা দেখা যায়। তেওঁৰ গল্পক সেয়ে প্ৰধানকৈ দুটা ভাগত ভাগ কৰিছে। প্ৰথম ভাগত আছে সমাজ সংস্কাৰধৰ্মী আৰু দ্বিতীয় ভাগত আছে ব্যক্তি জীৱন সম্পৰ্কীয়। সমকালীন সমাজৰ অন্ধবিশ্বাস, কু-সংস্কাৰ, ভণ্ডামি আদিক তেওঁ তীব্ৰ ব্যঙ্গ কৰি সমাজ সংস্কাৰ কৰিবলৈ উদ্যত হৈছিল। 'মলক গুইন গুইন', 'নাঙলু চন্দ্ৰ', 'ভোকেন্দ্ৰ বৰুৱা', ভোমকেৰেলা', 'ঘণ্টাকৰ্ণ শৰ্মা', ভেমপুৰীয়া মৌজাদাৰ', 'ধৰ্মধ্বজ', 'ফয়চালা নবিচ', 'জাতি-ৰামৰ জাত' আদি গল্প তাৰে নিদৰ্শন।

বেজবৰুৱাৰ দ্বিতীয় ভাগ গল্প ব্যঙ্গ গল্পবোৰৰ তুলনাত উন্নত। ব্যক্তি জীৱনৰ হাঁহি-কান্দোন, সুখ-দুখ, নানা ধৰণৰ সংঘাতক মানুহৰ জীৱনত সহৃদয়তাৰে উপলব্ধি কৰোৱাবলৈ চেষ্টা কৰা হৈছে তেওঁৰ দ্বিতীয় ভাগ গল্পত। ইয়াৰ নিদৰ্শন স্বৰূপে 'পুত্ৰবান পিতা', 'ভদৰী', 'নকওঁ', 'জলকুঁৱৰী', 'মুক্তি' আদি গল্প।

বেজবৰুৱাৰ ৰচিত গল্পৰ সংখ্যা প্ৰায় তিনি কুৰি। তেওঁৰ গল্পৰ চৰিত্ৰবোৰ সৰ্বসাধাৰণ মানুহৰ মাজৰ পৰা

বুটলি অনা। তেওঁৰ কেইটামান গল্পত সাৰ্থকভাৱে চিত্ৰিত হৈছে অৱহেলিত পিতৃ (পুত্ৰবান পিতা), প্ৰতিশোধ পৰায়ণ শিক্ষকৰ (পণ্ডিত মহাশয়) চৰিত্ৰ।

উনবিংশ শতিকাৰ লগতে কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধত বাল্য বিবাহ আৰু বিধৱাৰ পুনৰ্বিবাহ আদি সামাজিক সমস্যাসমূহে অসমীয়া শিক্ষিত যুৱকসকলৰ মনোযোগ আকৰ্ষণ কৰিছিল। সমাজত বৈধব্যৰ যন্ত্ৰণা আৰু বিধৱাৰ অসহায়তা বেজবৰুৱাই অতি সাৰ্থকভাৱে দাঙি ধৰিছে 'বাপীৰাম' নামৰ গল্পটোত। আনহাতে 'সেউতী' গল্পটোত বাল্য বিবাহৰ পৰিণামৰ লগতে নাৰীৰ প্ৰতি অমানবীয় ব্যৱহাৰৰ চিত্ৰ সাৰ্থকভাৱে ৰূপায়িত কৰিছে। বিয়াৰ আয়োজন চলি থকাৰ মাজতে সেউতী আৰু মাকৰ কথোপকথনৰ মাজেদি বাল্য বিবাহৰ স্বৰূপ উদঙাই দেখুৱাইছে—

"সেউতী ঃ আই সঁচা নে? কি বিয়া? আমাৰ দৰা কন্যাৰ বিয়াৰ নিচিনা বিয়া নে ওঁ আই?

মাক ঃ এৰা, তেনেকুৱাই। তই কন্যা হ'ব লাগিব আৰু এটা ল'ৰা আনি দৰা পাতি বিয়া দিম।

সেউতী ঃ ঢোল খোল মৃদং কালী পেপা আটাইবোৰ বজাব, পাত্ৰী তুলিম, তোৰ গাত মাহ-হালধি ঘঁহি নোৱাম, নাম গাম।

সেউতী ঃ আই মনো নাম গাম, নোৱাম দেই।"[৩]

লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ মাজেৰে উপলব্ধ হোৱা সংস্কাৰবাদী চেতনা মজ্জাগত। এই গৰাকী অপূৰ্ব প্ৰতিভাশালী গল্পকাৰে সমাজত দেখিবলৈ পোৱা ভেম-ভণ্ডামি, নীচতা-হীনতা, কু-সংস্কাৰ, অন্ধবিশ্বাস, অহংকাৰ আদিক তীব্ৰভাৱে আক্ৰমণ কৰি বহুতো গল্প ৰচিছে। যিবিলাকত অসমৰ জাতীয় জীৱনৰ বাস্তৱ আৰু সাম্ভাব্য চিত্ৰ ফুটি উঠা পৰিলক্ষিত হয়। এই প্ৰসঙ্গত অসমীয়া সাহিত্যৰ ৰূপৰেখা গ্ৰন্থত ড° মহেশ্বৰ নেওগদেৱে উল্লেখ কৰিছে, 'তেওঁ তেওঁৰ বেছিভাগ গল্পক সামাজিক সমালোচনাৰ অস্ত্ৰ ৰূপে ব্যৱহাৰ কৰিছে।"[৪] তাৰেই নিদৰ্শন 'কাশীবাসী' গল্পটো। এই গল্পটোত ভাৱবস্তুৰ উদ্দেশ্য হ'ল সমাজ সংস্কাৰ আৰু পৰিবৰ্তনৰ প্ৰয়োজন অনুভৱ কৰি তেনে বিষয়ত দৃষ্টি নিক্ষেপ কৰা। সমাজ সচেতক বেজবৰুৱাই সমাজত দেখিবলৈ পোৱা কু-সংস্কাৰ আৰু অন্ধবিশ্বাস আঁতৰ হোৱাটো বিচাৰে। নাৰীৰ প্ৰতি সমাজৰ অবিচাৰৰ ছবি বাস্তৱসম্মতভাৱে চিত্ৰিত কৰিছে। কেন্দ্ৰীয় চৰিত্ৰ বুঢ়ীগৰাকীৰ জীৱনলৈ নামি অহা কাৰুণ্য মূলতঃ সমাজৰ অবিচাৰ চৰিত্ৰটোৰ মাজেৰে সমাজৰ কু-সংস্কাৰ, অন্ধবিশ্বাসৰ প্ৰতি পাঠকক সজাগ কৰি তোলাই মূখ্য উদ্দেশ্য যেন ধাৰণা হয়।

"পাতমুগী' বেজবৰুৱাৰ আন এটি উল্লেখযোগ্য গল্প। পাতমুগী চৰিত্ৰত পাশ্চাত্য নাৰী মনস্তত্বৰ বহুবিশিষ্ট সমাহাৰ ঘটিছে। বেজবৰুৱাই এই চৰিত্ৰটিৰ যোগেদি প্ৰাচীন পৰম্পৰা বিৰোধী আধুনিক নাৰীৰ পথ মুকলি কৰি দিছিল অসমীয়া সাহিত্যত। "পাতমুগীৰ চিন্তা, আচৰণ, আৰু কথা বাৰ্তাৰ যোগেদি নাৰী মনস্তত্বক পোহৰলৈ আনিবলৈ যত্ন কৰা হৈছে।"[৫]

গ্ৰাম্য জীৱনৰ পটভূমি বেজবৰুৱাৰ গল্পত সুন্দৰভাৱে চিত্ৰিত হৈছে। 'ভদৰী' গল্পটোত ইয়াৰ চিত্ৰ প্ৰকাশিত হৈ উঠিছে। ইয়াৰ পৰিৱেশ চিত্ৰণ বাস্তৱ আৰু চিত্ৰধৰ্মী। জীয়াই থাকিবৰ বাবে মাত্ৰাধিক পৰিশ্ৰম কৰা স্বামী-স্ত্ৰী শিশুৰাম আৰু ভদৰী স্বভাৱতে খিংখিঙীয়া। স্বামী-স্ত্ৰীৰ কাজিয়া এই গল্পটোত অতি বাস্তৱধৰ্মী আৰু নাটকীয়।

'ধোৱা খোৱা' বেজবৰুৱাৰ আন এক সুকীয়া গল্প। সামান্য ধোৱাক মূল বিষয়বস্তু হিচাপে লৈ এই গল্পটো ৰচনা কৰিছে। এটা প্ৰাচীন অভিজাতপূৰ্ণ বংশৰ কিদৰে পতন হয় আৰু প্ৰাচীন আভিজাত মান থকা বাবে মানুহে কিদৰে চেষ্টা কৰে তাৰে গল্পটোত শিল্প কৌশলৰ যোগেদি প্ৰমাণ কৰিছে।

'মুক্তি' বেজবৰুৱাদেৱৰ এক শ্ৰেষ্ঠ গল্প। গল্পটোত আছে গাঁৱৰ ল'ৰা সুকুমাৰৰ মুকলিমুৰীয়াকৈ থাকিবলৈ পোৱা শিশু মনৰ এক মনোৰম বৰ্ণনা। গল্পটোত সুকুমাৰৰ জৰিয়তে শিশুমনৰ মুক্ত অৱস্থাৰ দুৰ্বাৰ স্পৃহা জন্মোৱা আৰু বন্দীত্বৰ পৰিণতি স্বৰূপে শিশু জীৱনৰ কৰুণ মৃত্যুক সাৱটি ল'বলগীয়া হোৱা এক সুন্দৰ প্ৰদৰ্শন প্ৰকাশ পাইছে। বেজবৰুৱাৰ সমাজ সংস্কাৰধৰ্মী মনোভাৱ বহুবোৰ গল্পতে প্ৰকাশ পোৱাৰ দৰে এই গল্পটিতো প্ৰকাশ পাইছে।

"আমাৰ সমাজ পুৰণিৰ পৰা নতুনলৈ অহাৰ পৰত নতুনৰ প্ৰতি আগ্ৰহ আৰু আকৰ্ষণৰ উন্মাদনাত বহু মানুহেই বিচাৰ-বিবেচনা হেৰুৱাই পেলায়। সুকুমাৰৰ দেউতাক আৰু ককায়েক ইয়াৰ উদাহৰণ।"[৮]

বেজবৰুৱাৰ চুটিগল্প, বিষয়বস্তু নিৰ্বাচন, কলা-কৌশল, ৰসসৃষ্টি আদি কিছু আসোঁৱাহ থাকিলেও, আধুনিকতাৰ ঢৌৰে সাহিত্যৰ প্ৰতিটো দিশ স্পৰ্শ কৰাৰ পিছতো তেওঁৰ গল্প অসমীয়া পাঠক সমাজত এতিয়াও জনপ্ৰিয় হৈ আছে আৰু বিশেষ সমাদৰ লাভ কৰি আছে।

**খ) বেজবৰুৱাৰ কবিতাত সমাজ জীৱনৰ চিত্ৰ ঃ**

লক্ষ্মীনাথ বেজবৰুৱা আছিল অসমীয়া ৰমন্যাসিক কবিতাৰ প্ৰথম অৱস্থাৰ এক সাৰ্থক কবি। চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামীৰ লগত একেলগে 'জোনাকী'ত আত্মপ্ৰকাশ কৰি কাব্য আন্দোলনত হাত আগবঢ়োৱা বেজবৰুৱা অসমীয়া ৰমন্যাসিক ত্ৰিমূৰ্তি ৰূপে প্ৰতিষ্ঠিত হ'ল।

বেজবৰুৱাৰ আন সাহিত্য যেনেকৈ ভাব ভাষাৰ ফালৰ পৰা প্ৰাঞ্জল আৰু নিৰহ নিপানী, ঠিক সেইদৰে তেওঁৰ কবিতাৰ ভাব ভাষাও আছিল প্ৰাঞ্জল আৰু নিৰহ নিপানী।

বেজবৰুৱাৰ প্ৰথম কবিতা সংকলন 'কদমকলি' (১৯১৩) প্ৰকাশ হওঁতে পাতনিত লিখিছিল: 'কবিতা হয় যদি হওক, নহয় যদি নহওক' বুলি মাজে সময়ে লিখা পদ্যবোৰ গোটাই একে ঠাইত কৰি এই কিতাপখন কৰা হ'ল। কবি হ'বৰ দুৰাশা কৰি নহয়।"[৯]

বেজবৰুৱাৰ কবিতা সংকলন 'কদমকলি'ৰ অন্তৰ্ভুক্ত ৪৮ টা কবিতা তেওঁৰ জীৱনৰ আদিভাগৰ ৰচনা আৰু 'পদুমকলি'ৰ অন্তৰ্গত 'সন্ধ্যা'ৰ বাহিৰে বাকী ২৭ টা শেষৰ ফালৰ ৰচনা। পুৰণি লোকগীতৰ আৰ্হিত বেজবৰুৱাই কেইবাটাও প্ৰেম আৰু প্ৰকৃতিমূলক কবিতা ৰচনা কৰিছিল। তাৰে ভিতৰত 'ধনবৰ-ৰতনী', 'মালতী', 'নিমাতী কন্যা' আদি এই শ্ৰেণীৰ কবিতা। তেখেতৰ 'প্ৰিয়তমা', 'প্ৰিয়তমাৰ সৌন্দৰ্য্য', 'প্ৰেম' আদি অসমীয়া প্ৰণয়মূলক কবিতাৰ উৎকৃষ্ট নিদৰ্শন।

বেজবৰুৱাৰ কবিতাত অসমীয়া হোজা মানুহৰ জীৱনৰ লগত এৰাব নোৱাৰাকৈ জড়িত হৈ থকা বিহুগীত, বনগীতৰ যি আকৰ্ষণ, সেয়া জলজল পটপটকৈ প্ৰকাশ পাই উঠিছে। এই ক্ষেত্ৰত আমি 'ধনবৰ আৰু ৰতনী' কবিতাৰ কথা উল্লেখ কৰিব পাৰো। এই কবিতাটিত অসমীয়াৰ সততে চিনাকী দিখৌ নৈখনৰ ছবিও মূৰ্তমান হৈ উঠিছে -

*"দিখৌ নৈ এৰিব পাৰো মই লাহৰী*
*জাঁজী নৈ এৰিব পাৰোঁ,*
*তোমাৰে ভাৱনা এৰিব নোৱাৰোঁ*
*নেখায়ো থাকিব পাৰো।"*[১০]

স্বদেশ প্ৰীতি বেজবৰুৱাৰ জীৱনৰ অতি শক্তিশালী আবেদন। স্বদেশৰ উন্নতি-অৱনতি, সুখ-দুখ, আশা-আকাংক্ষাৰ সৈতে তেওঁৰ চিন্তা-ভাৱনাই আৱৰ্তিত হৈছিল। সকলো দিশতে দেশবাসী যাতে অগ্ৰসৰ হয়-তাৰেই তেওঁ কামনা কৰিছিল। কেতিয়াবা কেতিয়াবা তেওঁ অসমৰ ইতিহাস, প্ৰকৃতি, ঐতিহ্য স্মৰণ কৰিছে আৰু আনকো স্মৰণ কৰাইছে। কিন্তু ইয়াৰ বিপৰীতে স্ব-জাতীয়সকলৰ উদ্যমহীনতাই তেওঁক অধিক যন্ত্ৰণা কাতৰ কৰি তুলিছিল। বিশেষকৈ কৃপাবৰী ৰচনাসমূহত সমাজ জীৱনৰ সাৰ্থক প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। অসমীয়া মানুহৰ চৰিত্ৰ, জীৱন-যাপন, অভ্যাস আৰু দোষ-ত্ৰুটিবোৰ এই কবিতা কেইটাত বিশেষকৈ স্থান পাইছে।

বেজবৰুৱাৰ 'ডাকৰ টোপোলা' নামৰ কবিতাটিত ইয়াৰ সুন্দৰ চিত্ৰ প্ৰতিফলিত হৈছে। নতুনকৈ প্ৰৱৰ্তিত ডাক সৰবৰাহৰ ফলত গাঁৱৰ মাজেদি পাৰ হৈ যোৱা এজন 'ডাকোৱাল' অসমীয়া সমাজত নতুন কথা। সাধাৰণতে গাঁৱৰ মানুহক এই কথাটোৱে কৌতুহলৰ সৃষ্টি কৰে। কবিতাটোত ডাকোৱালজনৰ খৰ-ধৰ কাৰণ আৰু তেওঁৰ টোপোলাত থকা বস্তুবোৰৰ বিস্তৃত বৰ্ণনা দাঙি ধৰিছে।

'তিলকা' বেজবৰুৱাৰ এটা সাৰ্থক কবিতা। কবিতাটিত হৃদয়হীন সামাজিক ব্যৱস্থাৰ ফলত বাল-বিধৱাৰ জীৱন যে অৰ্থহীন হৈ পৰে তাৰে প্ৰতিফলন ঘটাইছে। কবিতাটিৰ তিলকাৰ যোগেদি বাল-বিধৱাৰ কৰুণ অৱস্থাৰ প্ৰকাশ পাইছে।

বেজবৰুৱাই সমাজৰ পৰিবৰ্তন বিৰোধীসকলক

নির্দয়ভাবে উপহাস কৰিছে। তেওঁলোকে পূৰ্বৰ ৰীতি-নীতি বা অভ্যাসবোৰকে ধৰি থাকিব খোজে। কোনো পৰিবৰ্তনৰ কথা তেওঁলোকে ভাবিব নোখোজে। তেওঁলোকৰ যি চিৰাচৰিত ৰীতি-নীতি, আচাৰ ব্যৱস্থা ইত্যাদি দিশবোৰৰ পৰিবৰ্তন সাধিবলৈ যোৱা মানেই যেন মহাপ্ৰলয়হে ঘটিব। বেজবৰুৱাৰ 'মহাপ্ৰলয়ৰ লক্ষণ' নামৰ কবিতাটিত ইয়াৰ চিত্ৰ ফুটি উঠিছে।

বেজবৰুৱাৰ 'ভেম আছে ধন নাই', ডাঙৰ অসমীয়া, খোলৰ বোল, অসমীয়া ডেকাৰ প্ৰতি উপদেশ, অসমীয়াৰ দুখ', পুৱাৰ বৰগীত, টোপনিৰ ভাঙনি ইত্যাদি কবিতাৰ জৰিয়তে বেজবৰুৱাই চহা গাৱলীয়া খাটি-খোৱা জীৱনৰ সৰল চিত্ৰখনি খুব সুন্দৰভাৱে দাঙি ধৰিছে। ক'ৰবাত যদি দৈনন্দিন জীৱনৰ সামান্য প্ৰয়োজনখিনি পুৰাব নোৱাৰা ডাল-দৰিদ্ৰৰ ছবিখনি অঙ্কন কৰিছে, আন ক'ৰবাত আকৌ অসমীয়াই সন্মুখীন হোৱা এনে দুৰাৱস্থাৰ সমিধান স্বৰূপে পৰামৰ্শ আগবঢ়াইছে।

বেজবৰুৱাই ব্যঙ্গৰ আশ্ৰয় লৈও সমাজত চলি থকা ভণ্ডামি, দুৰ্নীতিবোৰৰ বিৰুদ্ধে সমালোচনাৰে থকা-সৰকা কৰিছিল। তেখেতৰ 'চালনী আৰু বেজী' এটা শ্ৰেষ্ঠ ব্যঙ্গ কবিতা। এই কবিতাটিৰ জৰিয়তে বেজবৰুৱাই সমাজৰ কিছুমান এনেকুৱা চৰিত্ৰক উপহাস কৰিছে, যিবোৰে নিজস্বতাক পাহৰি সমাজৰ এক মুখাপিন্ধা ভদ্ৰলোক হ'ব খোজে। অসাৰ্থক ভেম আৰু প্ৰদৰ্শনকাৰী প্ৰবৃত্তিৰ কাৰণে বেজবৰুৱাই চৰকাৰী বিষয়াসকলকো সমালোচনা কৰিছে—

*"আগৰ তৰপ ডাঙৰীয়াই ভেমৰ বাবে হাঁহো।*
*কিন্তু মই ডাঙৰ হই তাৰো ওপৰতে বহোঁ।"*[১১]

এনেদৰেই সংস্কাৰবাদী কবি বেজবৰুৱাই স্বদেশ প্ৰেম তথা গঠনমূলক চিন্তাধাৰাৰে ঊনবিংশ শতিকাৰ এলাহ্মকলীয়া সমাজখনক অন্ধবিশ্বাস, কু-সংস্কাৰ, ভেম-ভণ্ডামি, শোষণ, অত্যাচাৰ ইত্যাদিৰ কৰাল গ্ৰাসৰ পৰা মুক্ত কৰিবলৈ তেওঁৰ কবিতাৰ জৰিয়তে এক সুন্দৰ প্ৰয়াস কৰা দেখা যায়। যাৰ বাবে বেজবৰুৱাৰ কবিতাৰ সুৰটো আজিও অসমীয়াৰ হৃদয়ৰ নিভৃত কোণত বাজি থাকে এনেদৰে—

*"বাজক দবা বাজক শংখ*
*বাজক মৃদং খোল*
*অসম আকৌ উন্নতিৰ পথত*
*জয় আই অসম বোল।"* (অসম সংগীত)

**গ) ব্যঙ্গাত্মক ৰচনাৰ জৰিয়তে সমাজ জীৱনৰ চিত্ৰ ঃ**

ঊনবিংশ শতিকাৰ অসমীয়া সমাজখনক বৃটিছ শাসনে কৰা ছেদেলি-ভেদেলিৰ পৰিপ্ৰেক্ষিতত সম-সাময়িক সাহিত্যিকসকলে সমাজ সংশোধনৰ বাবে লোৱা প্ৰচেষ্টাবোৰৰ ভিতৰত বেজবৰুৱাও পিছ পৰি ৰোৱা নাছিল। বেজবৰুৱাৰ সাহিত্য ৰচনাৰ প্ৰধান উদ্দেশ্যই আছিল অসমীয়া ভাষা-সাহিত্য তথা জাতীয় সত্বাৰ ঘাইগৃহটো টনকিয়াল কৰা। অসমীয়া ভাষা আৰু সাহিত্যৰ ত্ৰানকৰ্তা হিচাপে তেওঁ য'তেই শৈক্ষিক, ধাৰ্মিক, সাংস্কৃতিক, পাৰিবাৰিক, সামাজিক, ৰাজনৈতিক সকলো দিশতে কেৰোণ দেখিছিল, তাক সংশোধন কৰিবলৈ উঠিপৰি চেষ্টা কৰিছিল। এইক্ষেত্ৰত সমাজ সংস্কাৰক হিচাপে তেওঁৰ ব্যঙ্গ ৰচনাসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। এনেস্থলত বেজবৰুৱাৰ কৃপাবৰী ব্যঙ্গাত্মক সাজ প্ৰণিধানযোগ্য। অৱশ্যে বেজবৰুৱাৰ পূৰ্বতেই অসমীয়া সাহিত্যত হাস্য-ব্যঙ্গাত্মক লেখাৰ অৱতাৰণা কৰিছিল হেমচন্দ্ৰ বৰুৱাৰ 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী' আৰু 'কানীয়াৰ কীৰ্ত্তন' শীৰ্ষক ৰচনাই। আধুনিক সমাজৰ সংস্কাৰ সাধনাত কৃপাবৰী সাহিত্যৰ অৱদান অতুলনীয়। বেজবৰুৱাই সম-সাময়িক সমাজখনত প্ৰচলিত সকলোবোৰ আঁসোৱাহ নিৰ্মূল কৰাৰ অৰ্থে কৃপাবৰী ৰচনাৰ জৰিয়তে খুব সন্তৰ্পনভাৱে দুৰ্নীতিৰ স্বৰূপ পাঠকৰ সন্মুখত দাঙি ধৰিছে। পশ্চিমীয়া সাজ-পোছাক, ধৰণ-কৰণ, ৰীতি-নীতি, ইংৰাজী ভাষাৰ প্ৰতি থকা নব্য শিক্ষিতৰ যি স্বাভাৱিক দুৰ্বলতা, অস্পৃশ্যতা, মাদক দ্ৰব্যৰ প্ৰতি সৰ্বসাধাৰণৰ আসক্তি, সমাজত ন-পুৰণিৰ দ্বন্দ, স্ত্ৰী শিক্ষাৰ বিৰোধীতা, অন্ধবিশ্বাসৰ চৰম বিপৰ্যয় ইত্যাদি সকলো দিশকে বেজবৰুৱাৰ কলমৰ ধাৰে চোকা অস্ত্ৰৰ দৰে কঠোৰ সমালোচনাৰ বানত থকা-সৰকা কৰিছে।

হাস্য-ব্যঙ্গৰ মাজেৰে জাতিক তীব্ৰ খোঁচেৰে খোঁচ মাৰি সৃষ্টি কৰা ৰচনাসমূহৰ মাজেৰে তেওঁ অসমীয়া জাতিক

সকীয়নি দিবলৈ চেষ্টা কৰিছিল। হৰিচন্দ্ৰ ভট্টাচাৰ্যৰ ভাষাত- "কাঁইটেৰে কাঁইট গুচোৱাৰ দৰে হাঁহীৰূপী এই ব্যাধিৰ যোগেদি বেজবৰুৱাই বেজৰ দৰে সমাজৰ ব্যাধি জৰাফুকা কৰি আঁতৰাবলৈ যতন কৰিছে।" [১২]

বেজবৰুৱাই অসমৰ মানুহ, সংস্কৃতি, অসমৰ ধৰ্ম, সাহিত্য সকলোকে হৃদয়ৰ পৰা অতি আন্তৰিকতাৰে ভাল পাইছিল। ভাষা-সংস্কৃতিৰ প্ৰতি থকা এনেকুৱা সংবেদনশীল মনোভাৱৰ বাবে সমাজত প্ৰচলিত অনীতি-দুৰাচাৰবোৰ তেওঁৰ চকুৰে সহ্য কৰিব পৰা নাছিল। যাৰ বাবে তেওঁ ব্যঙ্গাত্মক ৰচনাৰে মানুহৰ দুৰ্বলতাবোৰক দংশন কৰি অফুৰন্ত স্বদেশ প্ৰেমৰ চানেকী দাঙি ধৰিছিল। "প্ৰথম স্তৰৰ ব্যঙ্গ সাহিত্য ৰচনাৱলী বেজবৰুৱাৰ চিন্তাশীল মনৰ উৰি ফুৰা ভাৱৰ বিচিত্ৰ যাদুঘৰ। এই স্তৰৰ সাহিত্য বেজবৰুৱাৰ ব্যাপক পঠনশীলতা আৰু সূক্ষ্ম পৰ্যবেক্ষণৰ নিদৰ্শন। বাটৰ দুবৰি বনৰ পৰা স্বৰ্গাৰোহন পৰ্বলৈকে বিচিত্ৰ ভাৱ, কথা আৰু কাহিনীবোৰ ৰঙীন কল্পনা আৰু সানমিহলি ভাৱ-প্ৰকাশভঙ্গীৰে কৃপাবৰী বেজবৰুৱাই নিপুনভাৱে বৰ্ণনা কৰিছে। তেওঁৰ লেখনিত শব্দই সপোন সাজিছে, ভাৱসমূহে লৰি-ঢাপৰি ঠায়ে-ঠায়ে উজুটি খাই পৰিছে আৰু লেখকৰ মানস-পখীয়ে 'অ' মোৰ ওপজা ঠাই'ৰ চৌপাশে ঘূৰি-পকি উৰি ফুৰিছে।" [১৩]

বেজবৰুৱাৰ উল্লেখযোগ্য ব্যঙ্গাত্মক ৰচনাসমূহ হৈছে — 'কৃপাবৰ বৰবৰুৱা কাকতৰ টোপোলা' (০৪), 'কৃপাবৰ বৰবৰুৱাৰ ওভোতনি' (০৯), 'বৰবৰুৱাৰ ভাৱৰ বুৰবুৰণি', 'বৰবৰুৱাৰ বুলনি' ইত্যাদি।

বেজবৰুৱাই কৃপাবৰী ৰচনাবোৰত হাঁহিৰ চলেৰে সংস্কৃত, বাংলা, উড়িয়া, ইংৰাজী আদিৰ মিশ্ৰিত আধাডুখৰীয়া ভাষাৰ প্ৰয়োগ মন কৰিবলগীয়া। এইবোৰৰ দ্বাৰা তেওঁ বৰ্ণিত বিষয়বস্তুৰ প্ৰতি মানুহৰ মনোযোগ আকৰ্ষণ কৰাইছিল আৰু তেওঁৰ সূক্ষ্ম চিন্তাধাৰাৰ প্ৰয়োগ সাধন কৰি সমাজৰ প্ৰচলিত ভণ্ডামিৰ ছবিখন পৰিস্কাৰকৈ তুলি ধৰিছিল। 'দম্ভি চন্দ্ৰ খেদোক্তি', 'দম্ভি চন্দ্ৰ বৰুৱাৰ আৰ্বিভাৱ' আৰু 'দম্ভি চন্দ্ৰ বৰুৱাৰ আত্মকথা' নামৰ ৰচনাত কৃপাবৰে তেওঁৰ তথাকথিত ভতিজাক দম্ভি চন্দ্ৰ বৰুৱাৰ চৰিত্ৰ চিত্ৰনৰ জৰিয়তে নব্য শিক্ষিতৰ উদ্ধত, আত্মমুৰি, উচ্চাকাংক্ষী, সমাজৰ স্ব-ঘোষিত এই সেৱকসকলক ব্যঙ্গ কৰি তেওঁলোকৰ স্বৰূপ উদঙাই দেখুৱাইছে।

ঊনবিংশ শতিকাত অসমীয়া সমাজখনত কানিৰ ব্যাপক ব্যৱহাৰ তথা সোৰোপা প্ৰকৃতিৰ কানিয়াবোৰক উপলক্ষ্য কৰি কৃপাবৰে সেই সময়ৰ সজীৱ চিত্ৰখনো ব্যঙ্গৰ জৰিয়তে অংকন কৰিছে।

নাৰীৰ সামাজিক মৰ্যাদাৰ উল্লেখ্য কৃপাবৰী ৰচনাত পোৱা যায়। সমাজত নাৰীয়ে সদায় পুৰুষৰ অধীন, নাৰী স্বাধীনতা বুলিয়ে কোনো বিশেষ অধিকাৰ নাই সেই কথা বেজবৰুৱাৰ কৃপাবৰে ('স্ত্ৰী স্বাধীনতা' ১২৩) জলজল-পটপটকৈ দাঙি ধৰিছে। আনকি আমাৰ বৰ্তমানেও প্ৰচলিত হৈ থকা সেই ৰীতিটো-'স্বামীয়ে পত্নীৰ মৃত্যুৰ পিছত পুনৰ বিবাহ কৰাব পাৰে কিন্তু স্বামীৰ মৃত্যুৰ পিছত পত্নীগৰাকী পুনৰ বিবাহপাশত আবদ্ধ হ'ব নোৱাৰে' বেজবৰুৱাই সেই তাহানিতে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল আৰু তাৰ বাস্তৱ চিত্ৰখনো তেওঁ অংকন কৰিছিল। কৃপাবৰে সেয়ে বিধবা বিবাহৰ সপক্ষে এনেদৰে যুক্তি দৰ্শাইছে —

"এগৰাকী বিধবাই স্বামীৰ অবিহনে জীৱন অসাৰ্থক বুলি ভবা অনুচিত; কিয়নো, তেওঁ সুকীয়া মানুহ যেতিয়া সুকীয়া মনুষ্যত্বৰ ওপৰত ভৰ দি থিয় হওঁক।" [১৫]

এইদৰেই ব্যঙ্গাত্মক সাহিত্যৰ যোগেদি বেজবৰুৱাই সেই সময়ৰ তথাকথিত সমাজখনৰ বিৰুদ্ধে মাত মাতিছিল।

**ঘ) নাটকৰ জৰিয়তে অসমীয়া সমাজৰ প্ৰতিফলন ঃ**

ঊনবিংশ শতিকাৰ বেজবৰুৱাৰ সময়ছোৱাৰ সমাজ ব্যৱস্থা আছিল ঘাইকৈ ৰাজনৈতিক বিশৃংখলতা আৰু ইয়াৰ ফলত সৃষ্টি হোৱা সামাজিক অস্থিৰতা আৰু অৰ্থনৈতিক অৱনতিৰ চূড়ান্ত নিদৰ্শন। এফালে বৃটিছৰ শাসনব্যৱস্থাৰ ফলত উৰলি যোৱা সমাজ আনফালে আকৌ মানৰ একাধিক আক্ৰমনে জুৰুলা কৰা অধঃপতিত সমাজ। "স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ দিনৰে পৰা গোটেই ঊনবিংশ শতিকাটো অসমৰ ৰাজনৈতিক আকাশ ক'লা ডাৱৰে ঢাকি ৰাখিলে আৰু তাৰ পিছত যেতিয়া এই কাল-নৰিয়াৰ পৰাও নিৰাময় হৈ অসমীয়াই কোনোমতে গা-টঙাই উঠিল, অসম তেতিয়া পৰাধীন, জাতি দুৰ্বল আৰু এলেহুৱা, দেশত হাহাকাৰ। স্বাধীনতাৰ যুগৰ উন্নত গাঁও-চহৰ পাতিবলৈ

ধৰিলে। মহাপুৰুষৰ নাট আৰু ভাওনা সত্ৰবিলাকত কোনোমতে খোপনি পুতি ৰ'লগৈ, কিন্তু সমূহ অসমীয়াই তাৰ চৰ্চা পাহৰিবলৈ ধৰিলে।" [১৫]

বিশাল ব্যক্তিত্বৰ অধিকাৰী বেজবৰুৱাই জীৱনৰ সৰহভাগ সময় অসমৰ বাহিৰত কটাই ছিল যদিও অসমীয়াৰ আদৰ্শ সদায় বুকুত বান্ধি সমগ্ৰ মানুহৰ আগত তাক মুকলিমূৰীয়াকৈ প্ৰকাশ কৰাৰ চেষ্টাত অটল হৈ উঠিছিল। বৈষ্ণৱ ধৰ্মগুৰু শ্ৰীশ্ৰী শংকৰদেৱে অংকীয়া নাটকৰ জৰিয়তে প্ৰতিজন সামাজিকৰ হৃদয়-মনত প্ৰৱেশ কৰি আজিও যিদৰে যাউতিযুগীয়া হৈ ৰৈছে, ঠিক তেনে এক আদৰ্শৰে আদৰ্শান্বিত হৈ বেজবৰুৱাই নাটক ৰচনাত হাত দিছিল। বেজবৰুৱাৰ এই নাট্যপ্ৰীতিক অৱশ্যে স্ব-গৃহতে সৰুকালৰ পৰাই মনত সাঁচ বহি যোৱা আমি দেখা পাওঁ। পৰৱৰ্ত্তী সময়ত কলিকতাত ১৮৮৮ চনত প্ৰতিষ্ঠা হোৱা 'অসমীয়া ভাষা উন্নতি সাধিনী' সভাৰ যোগেদি বেজবৰুৱা প্ৰমুখ্যে প্ৰবাসী ছাত্ৰসকলৰ মনত নাটৰ প্ৰতি এক নতুন হাবিয়াসৰ উদ্ভৱ হয়। শ্বেইক্স'পীয়েৰৰ কমেডি অৱ এৰ'ৰ্ছ'ৰ ভাঙনি 'ভ্ৰমৰঙ্গ'ই এই ক্ষেত্ৰত যুগান্তৰ সৃষ্টি কৰিছিল। তদুপৰি কলিকতাৰ বঙালী সমাজখনৰ লগত মিলিত হৈ বেজবৰুৱাই বঙালী নাট দুই-এখনতো অভিনয় কৰা দেখা গৈছিল।

বেজবৰুৱাৰ সময়ছোৱাত সমাজখনৰ যি দুৰ্দশা সেয়া অতি কৰুণ আছিল। কিয়নো এহাতে আছিল ইংৰাজসকলৰ ৰাজত্বকাল আৰু আনহাতে আছিল ভূতৰ ওপৰত দানহ পৰাদি অসমীয়াৰ বাপতিসাহোন অসমীয়া ভাষাক অৱমাননা কৰি সকলোতে বঙলা ভাষাৰ প্ৰচলন। তেনেস্থলত কিছুমান আধুনিক মনৰ অসমীয়াই নিজৰ শুৱলা ভাষাটোক পাহৰি ইংৰাজী আৰু বঙালী মিশ্ৰিত ভাষাৰে বহুৱালি কৰাটো বেজবৰুৱাৰ সহ্য নহৈছিল। সেয়েহে অসমীয়া ভাষা সাহিত্যৰ এনে দুৰ্দিনত বেজবৰুৱাই অসমীয়া সমাজ, অসমীয়া বুৰঞ্জীৰ পৰা গোটাই নিজৰ অভাৱনীয় প্ৰতিভাৰে অসমীয়া নাট্য সাহিত্যক এটা নতুন ৰূপ দিবলৈ সক্ষম হ'ল।

নাটকৰ বিষয়বস্তু আহৰণৰ ক্ষেত্ৰত বেজবৰুৱাই এহাতে লোক-সাহিত্য আৰু আনহাতে জাতীয় বুৰঞ্জী এই দুটা উৎসৰ ওপৰতহে নিৰ্ভৰ কৰিছিল। বেজবৰুৱাই জাতীয় সাহিত্যক জনগণৰ মাজত তুলি ধৰা প্ৰয়াস কৰিছিল। অসমীয়া গ্ৰাম্য সমাজখনৰ লোককলা, লোকশিল্প, লোকগীত ইত্যাদি দিশবোৰ উন্নতি সাধনেই বেজবৰুৱাৰ উদ্দেশ্য আছিল।

বেজবৰুৱাৰ নাটকত তেওঁৰ কৃপাবৰী ৰূপটোৱে প্ৰায়েই ভুমুকি মৰা দেখা যায়। বেজবৰুৱাৰ সমাজ-সংস্কাৰ লক্ষ্যই তেওঁৰ নাটকৰ মাজে-মাজে অসমীয়া সমাজ তথা সমাজৰ বৰমূৰীয়া কিছুমানক কটাক্ষ কৰি বাক্যবাণ নিক্ষেপ কৰিছিল। লিতিকাই, পাঁচনি, নোমল, চিকৰপতি-নিকৰপতি এই প্ৰহসন কেইখনৰ জৰিয়তে বেজবৰুৱাই উনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ প্ৰথমছোৱাৰ অসমৰ লোক-জীৱনৰ চিত্ৰ সুন্দৰকৈ দাঙি ধৰিছে। প্ৰথমখন নাটক 'লিতিকাই' জোনাকীৰ প্ৰথম বছৰৰ ১ম সংখ্যাত প্ৰকাশ হৈছিল। সাতোটা মূৰ্খ ককাই-ভাই আৰু এজন ব্ৰাহ্মণক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা লঘু ঘটনাক্ৰমৰ মাজেদি বেজবৰুৱাই অসমীয়া সমাজখনৰ কিছুমান দিশ স্পষ্ট কৰি তুলিছে।

'নোমল' (১৯১৩)ৰ আখ্যানভাগ সাধুকথাৰ ভেঁটিত সজা যদিও ইয়াত সমাজত প্ৰচলিত কেৰোণক ব্যঙ্গ-বিদ্ৰূপৰ জৰিয়তে তীব্ৰ সমালোচনা কৰিছে। "সত্ৰাধিকাৰে গোঁসাইৰ সম্ভ্ৰম আৰু আড়ম্বৰপূৰ্ণ পৰিবেশৰ বিপৰীতে সাধাৰণ মানুহৰ দুৰাৱস্থাৰ আভাস দাঙি ধৰা হৈছে। সহস্ৰ ৰাজমেধি আদিৰ গোড়ামি আৰু সাধুৰামৰ দৰে চৰিত্ৰৰ দেশ-কাল-পাত্ৰ চাই পৰিবৰ্তনৰ বাবে সকীয়নি সমকালীন সমাজখনৰ প্ৰতি সমালোচনা হিচাপে বেজবৰুৱাই দাঙি ধৰিছে।" [১৬]

মুঠতে, গাঁৱলীয়া জীৱনৰ ৰীতি-নীতি, কথোপকথন, চহা চৰিত্ৰৰ সৰলতা আদি বেজবৰুৱাদেৱে তেওঁৰ লিতিকাই, পাঁচনি, নোমল, চিকৰপতি-নিকৰপতি আদি প্ৰহসনৰ জৰিয়তে হাস্যস্পদভাৱে জাতীয় জীৱনৰ কেৰোণবোৰ উদঙাই সমাজ সংস্কাৰমুখী মনোভাৱেৰে পাঠক সমাজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

অসমীয়া ঐতিহাসিক নাটকৰ ভেটি-সুদৃঢ় কৰাত বেজবৰুৱাৰ বৰঙনি গুৰুত্বপূৰ্ণ। তেওঁৰ পৰিণত বয়সৰ

গহীন বিধৰ বুৰঞ্জীমূলক নাট কেইখন হ'ল— 'বেলিমাৰ', 'চক্ৰধ্বজ সিংহ', আৰু 'জয়মতী'। ১৯১৫ চনতে তিনিওখন নাটক ৰচনা কৰা হৈছিল। স্বাভাৱিকতে বেজবৰুৱা ৰমন্যাসিক আন্দোলনৰ হোতা আছিল, যিটো যুগত ঐতিহাসিক নাটকৰ আন্দোলন প্ৰায়ে দেখা গৈছিল। 'বেলিমাৰ' নাটকৰ পাতনিত বেজবৰুৱাই কৈছে — 'নক'লেও হ'ব যে এই নাট ৰচনা কৰাৰ মোৰ ঘাই উদ্দেশ্য- ভাস্কৰবৰ্মা, চক্ৰধ্বজ সিংহ আৰু ৰুদ্ৰসিংহৰ অসম কেনেকৈ শ্মশান হ'ল তাক দেখুওৱাটো।" [১৭] সমস্ত জাতিটোৰ অধঃপতন দেখুওৱাটোৱেই নাট্যকাৰৰ উদ্দেশ্য। ইয়াত প্ৰত্যক্ষভাৱে নায়ক নাই যদিও বেজবৰুৱাৰ দৃষ্টিত কিন্তু সমগ্ৰ অসমীয়া জাতিটোৱেই নাটকখনৰ নায়ক।

অসম বুৰঞ্জীত সোণালী আখৰেৰে লিপিবদ্ধ হোৱা, ত্যাগৰ কাহিনীৰে নিজকে ধন্য কৰা এগৰাকী সতীৰ কাহিনীৰে 'জয়মতী' নামৰ নাটৰ ৰূপদান কৰিছিল বেজবৰুৱাদেৱে। স্বদেশ আৰু স্বজনৰ বাবে চৰম আত্মত্যাগৰ কাহিনী 'জয়মতী'। বিবেক শূন্য লগতে ৰাজমন্ত্ৰী লালুকসোলাৰ আঙুলিৰ মূৰত নচা চুলিকফা ওৰফে ল'ৰা ৰজাই নিজৰ স্থিতি শক্তিশালী ও সুৰক্ষিত কৰিবলৈ দেশৰ সকলো যোগ্য ৰাজকোঁৱৰক অংগক্ষত কৰাৰ দৃশ্য আমি এই নাটখনত দেখা পাওঁ। সতী নাৰী জয়মতীৰ স্বামী গদাপানিৰ পলায়ন তথা জয়মতীৰ ওপৰত শাসকবৰ্গৰ অমানৱিক অত্যাচাৰৰ ফলত জয়মতীৰ মৃত্যু এই নাটকৰ মূল কাহিনী।

এই নাটকত প্ৰধানত সেই সময়ৰ নাৰীৰ স্ব-জাতি আৰু স্বামীভক্তিৰ ছবি ফুটি উঠিছে। সেই সময়ৰ ৰাজতন্ত্ৰ তথা শাসকবৰ্গৰ অমানুষিক শোষণ-নিপীড়নৰ জ্বলন্ত ছবিখন অংকিত হৈছে। হাজাৰ শাস্তিক উপেক্ষা কৰি জয়মতীয়ে সতীত্বৰ চানেকীৰে স্বামীৰ প্ৰতি, সমাজখনৰ প্ৰতি, দেশৰ প্ৰতি যি মূল্য তাক আত্মত্যাগেৰে যাউতিযুগীয়া কৰি থৈ গ'ল।

'চক্ৰধ্বজ সিংহ' নাটকৰ বিষয়বস্তু হৈছে অসম বুৰঞ্জী খ্যাত শৰাইঘাটৰ যুদ্ধ। শৰাইঘাটৰ এই ঐতিহাসিক ৰণখনক নাট্যকাৰে নাট্যৰূপ দিওতে বীৰ লাচিত, চক্ৰধ্বজ সিংহ, ৰামসিংহ আদি শক্তিশালী চৰিত্ৰৰ কাৰ্যকলাপক আগস্থান দিছে। এই নাটক ৰচনাৰ মূল উদ্দেশ্য নাট্যকাৰ বেজবৰুৱাই উল্লেখ কৰিছে এনেদৰে — "এই কিতাপ ৰচনা কৰাৰ মোৰ ঘাই উদ্দেশ্য অসমৰ অতীত গৌৰৱ কাহিনী নাটক আকাৰে আজিকালিৰ অসমীয়াৰ আগত প্ৰচাৰ কৰাটোহে, নাট লেখি যশ আৰ্জিবলৈ যোৱাটো নহয়।" [১৮]

গতিকে অতি সহজেই এই কথা অনুমান হয় যে, বেজবৰুৱাই তেওঁৰ নাটকৰ মাজেৰে অতীতৰ গৌৰৱক নতুন প্ৰজন্মৰ সৈতে চিনাকী কৰাই দিয়াৰ লগতে বীৰ লাচিত, বীৰাঙ্গনা জয়মতীহঁতৰ পৰা প্ৰেৰণা গ্ৰহণ কৰি কৰ্মমুখী কৰি তুলিবলৈ সকলোকে আহ্বান জনাইছিল।

**ঙ) বেজবৰুৱাৰ উপন্যাসত সমাজ জীৱনৰ চিত্ৰ ঃ**

সাহিত্যৰ জগতখনৰ সৈতে সাধাৰণ মানুহে উপলব্ধি কৰিব নোৱাৰা অলেখ কথাৰ সমল সাহিত্যিকৰ সাহিত্যই সমাজত প্ৰতিফলন ঘটায়। উপন্যাসো তেনে এক সু-বিস্তৃত সমল যিয়ে লিখকৰ ভাৱনা, আদৰ্শ আদিক সৰ্বসাধাৰণৰ অতি ওচৰলৈ লৈ যায়। বেজবৰুৱাও এই ক্ষেত্ৰত পিছপৰি ৰোৱা নাছিল। বিস্তৃত পৰিসৰৰ উপন্যাস ৰচনাত বৰ বেছি সময় দিব নোৱাৰাৰ বাবেই কিজানি তেওঁ এখনেই মাত্ৰ উপন্যাস অসমীয়া জাতিলৈ আগবঢ়াইছিল। 'জোনাকী' (১৮৮৯) কাকতত ধাৰাবাহিকভাৱে প্ৰকাশ পোৱা বেজবৰুৱাদেৱৰ 'পদুম কুঁৱৰী' আছিল অসমীয়া সাহিত্যৰ প্ৰথম ঐতিহাসিক উপন্যাস। বেজবৰুৱাৰ এইখন একমাত্ৰ উপন্যাস যদিও ঘটনা বিন্যাস, চৰিত্ৰ-চিত্ৰণ আৰু উপন্যাস শিল্পৰ সাৰ্থক কলা-কৌশলৰ দিশৰ পৰা ইয়াৰ ঐতিহাসিক মূল্য সদায় জিলিকি থাকিব। ত্ৰিকোণ প্ৰেমৰ উপন্যাসখনিৰ কাহিনীভাগ গঢ় লৈ উঠিছিল মোৱামৰীয়া বিদ্ৰোহৰ ফলত সৃষ্টি হোৱা কামৰূপৰ অস্থিৰতা আৰু অনিশ্চয়তাৰ সময়ছোৱাৰ পটভূমিত। হৰদত্ত, বীৰদত্ত, কলীয়া-ভোমোৰা, বৰফুকন, পদুম কুঁৱৰী, ফুলকুমাৰী, সূৰ্য্যকুমাৰ, ভূটীয়া যুৱক-যুৱতী এই চৰিত্ৰকেইটিক লৈ উপন্যাসখনৰ কাহিনীভাগ সৃষ্টি কৰা হৈছে।

উপন্যাসখনৰ ভিতৰচ'ৰাত মোৱামৰীয়া বিদ্ৰোহৰ কৰাল গ্ৰাসত দেশীয় মানুহবোৰে নিৰাপত্তাহীনতাত আতংকিত হৈ ঘৰ-বাৰী এৰি দেশান্তৰী হ'বলগীয়া চৰম

অৱস্থাৰ মৰ্মভেদী চিত্ৰখনৰ লগতে ৰাজ প্ৰতিনিধিৰ জৰিয়তে সাধাৰণ প্ৰজাগনৰ প্ৰতি কৰা শোষণৰ ছবিও উপন্যাসখনত প্ৰতিফলিত হৈছে। ঔপন্যাসিকে সেয়ে কৈছে —

"তেওঁৰ (হৰদত্তৰ) নিচিনা উন্নত মন আৰু স্বদেশ প্ৰেমীসকলৰ পক্ষে আপোন দেশৰ লোক জাতি, কুটুম্ব প্ৰভৃতিৰ লাঞ্চনা নিজ চকুৰ আগতে দীৰ্ঘকাল চাই থকা অসম্ভৱ কথা।"[১১]

অসমৰ বুৰঞ্জী তথা অতীত গৌৰৱৰ সৈতে অসমীয়া মানুহক পৰিচয় কৰাই দিয়াৰ লগতে সেই সময়ত অসমীয়া জাতিটোৱে যি দুৰ্যোগ ভুগিবলগীয়া হৈছিল তাৰ চিত্ৰখনো অংকন কৰাটোৱেই আছিল বেজবৰুৱাৰ উদ্দেশ্য।

উপন্যাসখনৰ কাহিনীভাগে সততে অসমীয়া সমাজত প্ৰতিফলিত কিছুমান সজীৱ চিত্ৰ পাঠকৰ সন্মুখত দাঙি ধৰিছে। বিশেষকৈ অসমীয়া সমাজত ধনী বা দুখীয়া শ্ৰেণীৰ জীয়াৰীয়ে বোৱা-কটা কৰাটো অপৰিহাৰ্য। উপন্যাসখনত পদুমকুঁৱৰীয়ে তাঁত বোৱা-কটা কৰা দৃশ্যই অসমীয়াৰ জাতীয় সত্তাক স্পষ্টকৈ জিলিকাই তুলিছে।

অসমীয়া মানুহে ভগৱানৰ প্ৰতি যিদৰে অটল ভক্তি, বিশ্বাস ৰাখে ঠিক তেনেদৰে বৈষ্ণৱ গ্ৰন্থসমূহকো একেই দৃষ্টি নিক্ষেপ কৰে। দুখ কিম্বা সুখ প্ৰত্যেক মুহূৰ্ততে এই গ্ৰন্থসমূহক আধ্যাত্মিক সান্ত্বনা আৰু মানসিক শান্তিৰ প্ৰধান অৱলম্বন হিচাপে বিশ্বাস কৰে অসমীয়া মানুহে। 'পদুম কুঁৱৰী' উপন্যাসতো বৈষ্ণৱ ধৰ্মৰ পবিত্ৰ গ্ৰন্থ 'নামঘোষা' আৰু 'কীৰ্ত্তন'ৰ পদ পদুমে আওঁৰাইছিল।

এনেদৰেই বেজবৰুৱাই 'পদুম কুঁৱৰী' উপন্যাসখনত সমাজৰ কিছুমান জীৱন্ত চৰিত্ৰ তথা ঘটনাৱলীক মূৰ্তমান কৰি তুলিছে। নিঃসন্দেহে এইখন উপন্যাসে বেজবৰুৱাক অসমীয়াৰ সুহৃদ হিচাপে মনত ৰাখিব চিৰদিন।

বেজবৰুৱাদেৱৰ 'মোৰ জীৱন সোঁৱৰণ' এখন সৰ্বাঙ্গসুন্দৰ আত্মজীৱনী। আত্ম কাহিনী ব্যক্ত কৰাৰ লগে লগে তেওঁ চৌপাশৰ সমাজখনৰ ছবিও বিশ্বাসযোগ্যতাৰে অংকন কৰিছে। উনবিংশ শতিকাৰ যাতায়তৰ চৰম বিপৰ্যয়ৰ ছবিখন ইয়াত দেখা পোৱা যায় বেজবৰুৱাৰ ব্ৰহ্মপুত্ৰৰ বুকুত নাৱেৰে পৃথিৱীলৈ আগমন হোৱাৰ দ্বাৰা। অসমত বানপানীৰ যি তাণ্ডৱ সেয়াও স্পষ্টকৈ প্ৰকট হৈ পৰিছে আত্মজীৱনীখনত। অসমৰ নৈষ্ঠিক বৈষ্ণৱ পৰিয়ালৰ ছবি প্ৰতিনিধিত্ব কৰে উচ্চবংশজাত বেজবৰুৱাৰ ঘৰখনে। চৌহদৰ ভিতৰত প্ৰয়োজনাধিক কোঠালিৰে মূল ঘৰ, নামঘৰ, ভঁৰাল ঘৰ, বান্দী-বেটা সকলোৰে পৰিপূৰ্ণ অসমীয়াৰ ঘৰখন চাৰিওকাষে ওখ ঢাপ মাৰি ভালদৰে বেৰি থোৱা আছিল। গছ-গছনি, বাঁহ-কাঠেৰে, বাগিছা পুখুৰীৰে ভৰপূৰ অসমীয়াৰ গৃহস্থী ঘৰখন বেজবৰুৱাদেৱে অংকন কৰিছে তেওঁৰ আত্মজীৱনীখনত। মুঠতে বিদ্যালয়, শিক্ষক, উকীল, সকলোৰে চিত্ৰন কৰিছিল তেওঁ। কৃষিভিত্তিক সমাজখন, অভাৱগ্ৰস্ত দৰিদ্ৰ নিবনুৱাবোৰ, অসমীয়া বিবাহৰ প্ৰসংগ স্ত্ৰী-শিক্ষাৰ অৱমাননা ইত্যাদি সকলোবোৰ দিশৰে চিত্ৰ অংকন কৰিছে অতি নিখুঁতভাৱে বেজবৰুৱাদেৱে।

বেজবৰুৱা আছিল একেবাৰেই নিৰ্ভেজাল অসমীয়া। অসমীয়া মানুহৰ ধৰণ-কৰণ, মাত-কথা আদি তেওঁ সম্পূৰ্ণৰূপে আয়ত্ব কৰি তেওঁৰ লিখনিৰ দ্বাৰাই সেইবোৰ প্ৰকাশ কৰিছিল। তদুপৰি তেওঁৰ লিখনিৰ হাস্য মধুৰ সোঁৱাদে তেওঁক অসমীয়াৰ নিচেই কাষলৈকে চপাই নিছিল।

শিশু সাহিত্যৰ জৰিয়তে বেজবৰুৱাদেৱে দেশৰ ভৱিষ্যত শিশুসকলক বাস্তৱিক সমাজখনত প্ৰচলিত অন্ধবিশ্বাস, কু-সংস্কাৰ, ঠগ-প্ৰৱঞ্চনা ইত্যাদিৰ লগত পৰিচয় কৰাই দি নতুন সমাজ গঢ়াৰ পোষকতা কৰিছিল।

অসীম প্ৰতিভাৰ গৰাকী লক্ষ্মীনাথ বেজবৰুৱাদেৱে এনেদৰে অসমীয়া সমাজৰ প্ৰতিটো দিশ স্পৰ্শ কৰিব পৰাকৈ সাহিত্যৰ যি সোঁতি বোৱালে সি নিঃসন্দেহে জাতীয় চেতনা উত্তৰণৰ দিগ নিৰ্ণায়ক আছিল বুলি ক'ব পাৰি।

**অধ্যয়নৰ দিগ্ নিৰ্ণয় ঃ**

বেজবৰুৱাৰ সাহিত্যৰাজি অধ্যয়নৰ জৰিয়তে আমি তেওঁৰ সাহিত্যিক দৃষ্টিভঙ্গী বহুক্ষেত্ৰত অনুভৱ কৰিবলৈ সক্ষম হওঁ। সাহিত্য কাণ্ডাৰী বেজবৰুৱাই তেওঁৰ অস্ত্ৰসদৃশ কলমৰ ধাৰেৰে সমাজৰ সকলোবোৰ দিশতে আলোকপাত কৰিবলৈ সক্ষম হৈছিল। সাহিত্যিকৰ বাবে

সাহিত্যই যিহেতু সমাজক সৎ পথত পৰিচালিত কৰোৱাৰ একমাত্ৰ অৱলম্বন, গতিকে বেজবৰুৱাও এই ক্ষেত্ৰত থমকি নোৰোৱাকৈ আগুৱাই যাবলৈ সক্ষম হৈছিল।

বেজবৰুৱাদেৱে চুটিগল্পৰ জৰিয়তে তথাকথিত সমাজখনৰ পৰা ভেম-ভণ্ডামি, স্বাৰ্থপৰতা, কু-সংস্কাৰ, অন্ধবিশ্বাস, ঠগ-প্ৰবঞ্চনা, শোষণ-নিপীড়ন ইত্যাদি দিশবোৰৰ সংশোধন কৰিব বিচাৰিছে। লগতে তেওঁ অসমীয়া সমাজখনক পুৰণিকলীয়া বিশ্বাসৰ পৰা আঁতৰাই আনি নতুন ভাৱেৰে উদ্বুদ্ধ কৰিব বিচাৰিছে।

কবিতাৰ মাধ্যমেৰেও বেজবৰুৱাদেৱে ঊনবিংশ শতিকাৰ পুৰণিকলীয়া, এলাধুকলীয়া সমাজখনৰ পৰা অন্ধবিশ্বাস, কু-সংস্কাৰ, ভেম-ভণ্ডামি, শোষণ, অত্যাচাৰ আদিৰ পৰা মুক্ত কৰি এক নৱ অসম গঢ়াৰ আহোপুৰুষাৰ্থ কৰিছিল। তেখেতে কোৱাৰ দৰে বৰ্তমানেও ডাইনী হত্যাৰ লেখীয়া কু-সংস্কাৰসমূহ অসমীয়া সমাজত প্ৰচলন হৈ আছে। বেজবৰুৱাদেৱ থকাহেঁতেন হয়তো ডাইনী হত্যা প্ৰসংগ অসমত নাথাকিলহেঁতেন। তাৰোপৰি বেজবৰুৱাদেৱে কবিতাৰ মাধ্যমেৰে যি স্বদেশ প্ৰেমৰ আদৰ্শ দাঙি ধৰিছিল সেই আদৰ্শ যেন নতুন অসমীয়া সমাজত অভাৱ হোৱা দেখা গৈছে। সেয়ে বেজবৰুৱাদেৱৰ স্বদেশ প্ৰেমৰ প্ৰকৃত ভাবাদৰ্শ আমাৰ সকলোৰে কাৰণে কাম্য।

ঠিক তেনেকৈ তেখেতৰ একমাত্ৰ উপন্যাস 'পদুম কুঁৱৰী'ৰ মাধ্যমেৰে মোৱামৰীয়া বিদ্ৰোহৰ কৰাল গ্ৰাসত দেশীয় মানুহবোৰ নিৰাপত্তাহীনতা আৰু আতংকময় পৰিবেশৰ সজীৱ চিত্ৰ বেজবৰুৱাদেৱে অংকন কৰিছে। বৈষ্ণৱ ধৰ্মৰ প্ৰতি বিশ্বাসৰ যি সুগভীৰ ভাৱমূৰ্তি সেয়াও উপন্যাসখনৰ বিষয়বস্তুৰ অন্তৰ্গত। পৰিতাপৰ কথা এয়ে যে, তেখেতৰ উপন্যাসত বৈষ্ণৱ আদৰ্শৰ প্ৰতি যি গভীৰ শ্ৰদ্ধা দেখুওৱা হৈছে বৰ্তমান সময়ত তাৰ ব্যতিক্ৰমী ৰূপ দেখা গৈছে। অসমৰ বহুকেইখন সত্ৰৰ উন্নয়নৰ ক্ষেত্ৰৰ চৰকাৰ তথা ব্যক্তিগত প্ৰচেষ্টা একেবাৰে নগণ্য। সেয়ে বেজবৰুৱাদেৱৰ উপন্যাসৰ আদৰ্শ এক প্ৰকাৰে আজিও প্ৰাসংগিক হৈ আছে। বৈষ্ণৱ সত্ৰসমূহ সুৰক্ষা কৰিব পাৰিলেহে অসমীয়া সমাজৰ অস্তিত্ব অক্ষুন্ন হৈ ৰ'ব।

নাটকৰ মাধ্যমেৰে বেজবৰুৱাদেৱে অসমীয়া সমাজৰ এটি স্বতঃস্ফূৰ্ত প্ৰতিচ্ছৱি দাঙি ধৰিবলৈ বিচাৰিছিল। তেওঁ নিজেই কৈছে যে — "ঐতিহাসিক প্ৰকৃত ঘটনা লৰচৰ নকৰি আৰু ইতিহাসৰ প্ৰকৃত ব্যক্তিসকলৰ চৰিত্ৰ যেনে আছিল যিমানদূৰ পৰা যায় তেনে ৰাখি চিত্ৰিত কৰি, গত আৰু মৃত ঘটনা আৰু ব্যক্তিসকলৰ শৰীৰত পুনৰ প্ৰাণ দি সেইবোৰ সজীৱ কৰি লৈ বৰ্তমান কালত দেখুওৱাটো ঐতিহাসিক নাটৰ কাৰ্য বুলি মোৰ ধাৰণা।" উদাহৰণস্বৰূপে, বেজবৰুৱাৰ 'চক্ৰধ্বজ সিংহ'ৰ বিষয়বস্তু নাটকখনৰ কেন্দ্ৰীয় চৰিত্ৰ লাচিত বৰফুকন, যুদ্ধত প্ৰদৰ্শন কৰা অ-সামান্য দক্ষতাৰ বাবে কালক্ৰমত তেওঁ জাতীয় বীৰ ৰূপে পৰিগণিত হয়। ঠিক সেইদৰে জয়মতীৰ আত্মত্যাগ অসমীয়া জাতিৰ এটি গৌৰৱময় অধ্যায়। এই দুইজনেই আত্মত্যাগ আৰু বীৰত্বৰ প্ৰতীক স্বৰূপ। কিন্তু আজিৰ আধুনিক অসমীয়া সমাজৰ পুৰুষ আৰু মহিলাৰ পতন অনিবাৰ্য। সেয়েহে নাটকৰ মাধ্যমেৰে বেজবৰুৱাদেৱে যি ত্যাগ আৰু সাহসৰ কথা উল্লেখ কৰিছে সেইটো আমাৰ সকলোৰে প্ৰণিধানযোগ্য।

**পৰামৰ্শ ঃ**

অসমীয়া জাতিসত্বা তথা ভাষাৰ পুনৰুদ্ধাৰৰ বাবে প্ৰবাসী ছাত্ৰসকলৰ দ্বাৰা ১৮৮৮ চনত কলিকতাত গঠন হোৱা 'অসমীয়া ভাষা সাধিনী সভা'ৰ যি প্ৰচেষ্টা আছিল সেয়া এতিয়াও প্ৰকৃতাৰ্থত কাৰ্যকৰী হৈ উঠা নাই। বেজবৰুৱাৰ নকৈ সমাজ গঢ়াৰ যি সপোন আছিল তাক বাস্তৱায়িত কৰাৰ বাবে তেওঁ বিভিন্ন ৰচনাৰাজিৰ আশ্ৰয় লৈছিল। কিন্তু এতিয়ালৈ সি সাৰ্থক ৰূপ লাভ নকৰিলে। ইয়াৰ প্ৰধান কাৰণ, বেজবৰুৱাৰ লিখনিৰ আদৰ্শসমূহ পূৰ্ব পৰিকল্পিতভাৱে অসম চৰকাৰে ৰূপায়ণ কৰিব বিচৰা নাই। তাৰ উদাহৰণস্বৰূপে অসমীয়া ভাষাই এতিয়ালৈকে পূৰ্ণাঙ্গভাৱে ৰাজ্যিক ভাষাৰ মৰ্যাদা লাভ কৰা নাই। তাৰে হৈ অসমৰ নৱ-প্ৰজন্ম বা উঠি অহা তৰুণ-তৰুণী বা লেখক-লেখিকাসকলে বেজবৰুৱাৰ সপোনক বাস্তৱত ৰূপায়ণ কৰিবৰ বাবে হাতে-কামে আগবাঢ়িব লাগিব। চৰকাৰেও বেজবৰুৱাৰ লিখনিসমূহক উপযুক্তভাৱে প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিব লাগিব।

বেজবৰুৱাৰ লিখনিৰ মাজেদি যি জাতীয়তাবোধ

আৰু অসমৰ বিভিন্ন জাতি-জনজাতিৰ মাজত যি সমন্বয় ভাবৰ সৃষ্টি হৈছে তেনে আদৰ্শসমূহ নিৰ্বাচন কৰি বহুল প্ৰচাৰ কৰিব লাগিব। 'অসমৰ কেন্দ্ৰীয় গ্ৰন্থমেলা' নামৰ ঠাইত 'লক্ষ্মীনাথ বেজবৰুৱা সাহিত্য-মেলা' নাম দি তেখেতৰ জন্ম বা মৃত্যুৰ দিনা আয়োজিত কৰিলে অসমী আইয়ে অলপ হ'লেও শান্তি পাব নিশ্চয়।

**মন্তব্য ঃ**

আজিৰ অসমীয়াই পাহৰিব নোৱাৰে অসমীয়া জাতিৰ জনক গুৰুজনা শ্ৰীশ্ৰী শংকৰদেৱক। আজিৰ নৱ-প্ৰজন্মই পাহৰিব নোৱাৰে লক্ষ্মীনাথ বেজবৰুৱাদেৱক। ব্ৰহ্মপুত্ৰৰ অটল গভীৰ জল-সমুদ্ৰৰ পৰা পোনতে গুৰু দুজনা শ্ৰীশ্ৰী শংকৰদেৱ আৰু মাধৱদেৱক আধুনিক জনমানসত তুলি ধৰিছে সাহিত্য সম্ৰাট বেজবৰুৱাদেৱে। ডেৰশ বছৰীয়া বৰেণ্য ব্যক্তি লক্ষ্মীনাথ বেজবৰুৱাদেৱে মহাপুৰুষ দুজনাৰ প্ৰচাৰ মাধ্যমেৰে নিজেই হৈ পৰিছিল আধুনিক অসমীয়া সাহিত্যৰ যুগনায়ক। অসমীয়া সাহিত্যৰ সাগৰখনিৰ এটি মণি-মুকুতা তেখেতৰ কলমৰ যাদুৰ পৰশত উজ্জ্বল হৈ উঠিছিল। সেয়ে আধুনিক অসমীয়া সাহিত্যৰ কালজয়ী ব্যক্তি হৈছে লক্ষ্মীনাথ বেজবৰুৱা।

অসমৰ অতীতৰ গৌৰৱময় অধ্যায়সমূহৰ লগতে দুৰ্বলতাসমূহ গল্প, কবিতা, উপন্যাস আৰু আত্মজীৱনী আকাৰেৰে বৰ্তমানৰ অসমীয়াৰ আগত প্ৰকাশ কৰি সাহস আৰু ত্যাগৰ সংযোগ ঘটাই স্বদেশ প্ৰেমৰ নিদৰ্শন উজ্জ্বলাই দিয়াতো বেজবৰুৱাদেৱৰ মহানতম অৱদান। শংকৰদেৱ আৰু মাধৱদেৱৰ ভক্ত লক্ষ্মীনাথ অবিহনে অসমীয়া জাতি আৰু ভাষাৰ অস্তিত্বই হেৰাই গ'লহেতেন। বেজবৰুৱাদেৱ আধুনিক অসমীয়া সাহিত্য-উন্নয়ন সংগ্ৰাম ক্ষেত্ৰৰ এগৰাকী জাতীয় বীৰ পুৰুষ। জাতীয় জীৱন দুৰ্বল হ'লে জাতীয় সাহিত্যও নিশকতীয়া হৈ পৰে। এজন জাতীয় সাহিত্যিক বীৰ পুৰুষ এক শিলৰ ৰেখা।

আজিৰ নৱ প্ৰজন্ম সম্পূৰ্ণ দায়বদ্ধ বেজবৰুৱাদেৱৰ ওচৰত। আমি গুৰুত্ব সহকাৰে ল'ব লাগিব তেখেতৰ স্বদেশ প্ৰেম, কলমৰ শক্তি, সাৰ্বজনীন আদৰ্শ, নিৰ্ভীকতা আৰু সমন্বয়ৰ সেতু বন্ধন। অসমৰ বুদ্ধিজীৱী, সাহিত্যিক, মন্ত্ৰী আৰু প্ৰশাসন আগবাঢ়ি আহিব লাগিব তেখেতৰ ভাবাদৰ্শক প্ৰতিষ্ঠা কৰিবৰ বাবে। তেতিয়াহে ভাঙি-চিঙি যোৱা অসমৰ সমন্বয়ৰ এনাজৰী যোৱা লগাব পৰা যাব। এয়া আমাৰ পৰম ব্ৰহ্মাৰ ওচৰত একান্ত প্ৰাৰ্থনা।

**সহায়ক গ্ৰন্থপঞ্জী**

১। Neog. Maheswar : Ed. *The Religion of love and devotion* Lakshinath Bezharoa, First edition, Jorhat, 1968, P.I, X
২। শৰ্মা দলৈ, হৰিনাথ ঃ অসমীয়া সাহিত্যৰ পূৰ্ণ ইতিহাস, সৰস্বতী কম্পিউটাৰ প্ৰেছ, কলেজ ৰোড, নলবাৰী
৩। গগৈ, লীলা (স.) ঃ আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়, বনলতা, সংস্কৰণ, ডিব্ৰুগড়, নবেম্বৰ - ২০০২ পৃঃ ১-১২
৪। অসমৰ প্ৰকাশন পৰিষদঃ লক্ষ্মীনাথ বেজবৰুৱা, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ৪ৰ্থ প্ৰকাশ, ডিচেম্বৰ - ০৭, পৃঃ ৪৫,৮৮,১৮৫,২১৩
৫। বৰপূজাৰী, মহেন্দ্ৰ ঃ বেজবৰুৱা, গোহাঞিবৰুৱা আৰু সমকালীন অসমৰ সমাজ জীৱন, চিত্ৰলেখা প্ৰকাশন নাহৰকটীয়া, ১ম প্ৰকাশ ফ্ৰেঃ ২০০৭ চন, পৃঃ ৯১,১১৪,১৪৮
৬। দাস, অমল চন্দ্ৰ ঃ অসমীয়া সাহিত্যৰ সুগন্ধি, অশোক পাব্লিকেশ্বনচ, পাণবজাৰ, গুৱাহাটী -১, ১ম প্ৰকাশ- জুন ২০০৯, পৃঃ ৮৭
৭। বৰুৱা, ড° প্ৰহ্লাদ কুমাৰ ঃ অসমীয়া চুটি গল্পৰ অধ্যয়ন, নতুন বজাৰ, ডিব্ৰুগড় -১, পাণবজাৰ গুৱাহাটী-১, ৩য় প্ৰকাশ -২০০৮, পৃঃ ৪১
৮। (উক্ত গ্ৰন্থ)
৯। বৰা, প্ৰফুল্ল চন্দ্ৰ ঃ অসমীয়া সাহিত্যঃ আধুনিক যুগ, ষ্টুডেন্টচ্ ষ্টৰচ, কলেজ হোষ্টেল ৰোড, গুৱাহাটী - ১, ২য় সংস্কৰণ, ২০০৪, পৃঃ৬০, ১৪৪, ১৪৫
১০। (পূৰ্বোক্ত গ্ৰন্থ, পৃঃ৮৮) ঃ অসম প্ৰকাশন পৰিষদ
১১। (পূৰ্বোক্ত গ্ৰন্থ, পৃঃ১৮৭)ঃ মহেন্দ্ৰ বৰপূজাৰী ■

# এমিলি ডিকিনচনৰ কবিতাত

# জীৱন, মৃত্যু আৰু ৰহস্যবাদ

**শ্ৰীসমীৰ কুমাৰ নাথ**
সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ

১৮৩০ চনৰ ১০ ডিচেম্বৰ তাৰিখে নিউ ইংলেণ্ড টাউন, এমৰ্হাষ্টৰ এটি ৰক্ষণশীল ও নৈষ্ঠিক পৰিয়ালত এমিলি ডিকিনচনৰ জন্ম হয়। এমিলিৰ দেউতাক আছিল এজন সুদক্ষ উকীল। তাৰোপৰি তেওঁ আছিল এজন কঠোৰ কতৃত্ববাদী আৰু নৈতিকতাবাদী। এমিলিৰ ককাদেউতাকে এমহাৰ্ষ্ট কলেজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বিশেষ ভূমিকা লৈছিল। নিজৰ ঘৰখনৰ আৰু এমহাৰ্ষ্টৰ কঠোৰ সংৰক্ষণশীলতাই এমিলি ডিকিনচনক আওপুৰণি, অজ্ঞানতাৰে ভৰা ধ্যান-ধাৰণাৰ বিৰুদ্ধে মাত মাতিবলৈ উত্তেজিত কৰি তুলিছিল। কুমাৰী অৱস্থাত এমিলিয়ে দক্ষিণ হেডলিত অনুষ্ঠিত হোৱা মহিলা, খ্ৰীষ্টিয় ধৰ্ম যাজকক প্ৰশিক্ষণ দিয়া প্ৰতিষ্ঠানৰ বিৰুদ্ধাচৰণ কৰাৰোপৰি খ্ৰীষ্টমাৰ্চত উপবাসে থাকিবলৈ অস্বীকাৰ কৰে। এমিলিৰ এই মুকলি বিদ্ৰোহ যে কেৱল খ্ৰীষ্টিয় ধৰ্ম যাজকক প্ৰশিক্ষণ দিয়া প্ৰতিষ্ঠান বিৰোধীহে আছিল, ঠিক তেনে নহয় তেওঁৰ স্বাধীনতাপ্ৰেমে খ্ৰীষ্টিয় প্ৰতিষ্ঠানবোৰৰ কঠোৰতাৰ বিৰুদ্ধে মাত মাতিবলৈও অনুপ্ৰেৰণা যোগাইছিল। অৱশেষত এমিলিয়ে হতাশ হৈ ঘৰলৈ উভতি আহিছিল আৰু কিতাপৰ মাজত নিমগ্ন হৈ চিত্ত বিনোদক কাম হিচাপে কবিতা চৰ্চা কৰিছিল। এমিলি এমহাৰ্ষ্টলৈ ওভতি অহাৰ পিছত সেইখিনি সময়ত তেওঁলোকৰ পৰিয়ালৰ লগত একেলগে থকা আৰু দেউতাকৰ অফিচত এটা সাধাৰণ কেৰাণীৰ চাকৰি কৰি থকা বেঞ্জামিন নিউটনৰ লগত প্ৰণয়পাশত আবদ্ধ হৈ পৰে। বেঞ্জামিন নিউটন এজন তীক্ষ্ণবুদ্ধিসম্পন্ন, মুকলি ভাবসম্পন্ন আৰু গ্ৰন্থপ্ৰেমী আছিল। অৱশ্যে এমিলিক বিয়া পাতিবলৈ বেন নিউটনৰ যথেষ্ট ধন সম্পদ নাছিল। তাৰোপৰি এমিলিৰ কতৃত্বশালী দেউতাকে বেনৰ, এমিলিক বিয়া পতাৰ প্ৰস্তাৱটো অগ্ৰাহ্য কৰিছিল। পাঁচ বছৰৰ পিচত এমিলিয়ে স্বাভাৱিকতে বেঞ্জামিনৰ সংগক স্বাগতম জনাইছিল। এমিলিয়ে সদায়ে বেঞ্জামিনক শিক্ষাগুৰুৰ মৰ্যাদা প্ৰদান কৰিছিল। তাইৰ ভাষাত মিঃ বেঞ্জামিন নিউটন মোৰ বাবে এজন ভদ্ৰ, অতি গম্ভীৰ শিক্ষাগুৰু, যিয়ে মোক কি পঢ়িব লাগে, কোনজন লেখকক প্ৰশংসা কৰিব লাগে, স্বভাৱগতভাৱে কোনটো ধুনীয়া বা মহান, শ্ৰেষ্ঠ পাঠ নেদেখাজনৰ প্ৰতি বিশ্বাস ৰখাৰ শিক্ষা দিছিল। বেঞ্জামিনৰ লগত এমিলিৰ প্ৰেমৰ সংজ্ঞা দিব বিচাৰিলে সেয়া বুদ্ধিসত্তা প্ৰেমৰ বাহিৰে আন একো নহয়। সমালোচকসকলৰ মতে এমিলিৰ আন এজন প্ৰেমিকা হ'ল হেনৰি ভন এমনচ্। হেনৰি ভন এমৰ্হাষ্ট কলেজৰ ছাত্ৰ আছিল। তেওঁ কলেজত এখন সাহিত্যধৰ্মী আলোচনী প্ৰকাশৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰণী ভূমিকা লৈছিল। এমিলি হেনৰি ভনৰ লেখনিৰ দ্বাৰা হেনৰিৰ প্ৰতি আকৃষ্ট হৈ পৰে। পৰৱৰ্তী সময়চোৱাত ১৮৫৪ চনত এমিলিয়ে ওৱাছিংটনত থকা দেউতাকক লগ কৰিবলৈ যাওঁতে ফিলাডেলফিয়াৰ সম্মানীয় চাৰ্লছ ওৱাডচৰ্থক লগ পায়। ওৱাডচৰ্থ বিবাহিত আছিল যদিও এমিলি তেওঁৰ প্ৰেমত পৰে। অৱশ্যে এই কথাটো এনে ধৰণৰ নাছিল যে বেনৰ অকাল মৃত্যুয়ে এমিলিৰ হৃদয়ত যি শূন্যতাৰ সৃষ্টি কৰিছিল সেই শূন্যতা চাৰ্লছ ওৱাডচৰ্থৰ পূৰণ কৰিব পৰা সক্ষমতা আছিল। এমিলিৰ স্বীকাৰোক্তিৰ মতে বেন নিউটনে এমিলিক এখন নতুন ধাৰণাৰ পৃথিৱীৰ

লগত পৰিচিত কৰি দিছিল। অন্যহাতেদি চাৰ্লছ ওৱাডচৰ্থে এমিলিক অমৰত্বৰ ওপৰত শিক্ষা দিবলৈ প্ৰয়াস কৰিছিল। বেন নিউটন আৰু চাৰ্লছ ওৱাডচৰ্থৰ লগত থকা এমিলিৰ প্ৰেমৰ প্ৰকৃতিৰ বিশ্লেষণ কৰিবলৈ অৱশ্যে আমাৰ লগত কোনো ধৰণৰ তথ্য সম্বলিত প্ৰমাণ পত্ৰ নাই। সেয়ে তথ্য সম্বলিত প্ৰমাণৰ যিমানে গভীৰ অনুসন্ধান চলিব সিমানে নৱ প্ৰজন্মৰ দৃষ্টিত এমিলিৰ প্ৰেমৰ অধ্যায় ৰহস্যাবৃত হৈ পৰিব। চাৰ্লছ ওৱাডচৰ্থৰ লগত এমিলিৰ প্ৰেম বহু দীঘলীয়া নাছিল। ইয়াৰ পিছত এমিলিয়ে জীৱনৰ বাকীচোৱা সময় নিসংগ হিচাপে পাৰ কৰি দিয়ে। অৱশ্যে ল'ৰালিৰ নলে-গলে লগা বন্ধু হেলেন হান্ট জেকচন, সাহিত্য জগতৰ বন্ধু থমাচ ওৱেন্টৱৰ্থ হিগিনচন আদি ব্যক্তিৰ লগত এমিলিয়ে এটা সৌহাৰ্দপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰি চলিছিল।

আজিৰ পৃথিৱীয়ে এমিলিক 'New England recluse' বুলি কোৱাৰ দৰেই এমিলিয়ে ইংলণ্ডত অকলশৰীয়াকৈ থাকিবলৈ লৈছিল আৰু নিজৰ সমস্ত আৱেগ-অনুভূতি, দুখ, ৰসজ্ঞান কবিতাৰ মাজেৰে প্ৰকাশ কৰিছিল। প্ৰকৃতাৰ্থত এমিলি ডিকিনচনৰ জীৱন দৰ্শন জানিবলৈ হ'লে তেওঁৰ আত্মজীৱনী জনাৰ কোনো প্ৰয়োজনীয়তা নাই; কেৱল তেওঁৰ কবিতাবোৰেই যথেষ্ট। ১৮৮৬ চনত এমিলি ডিকিনচনৰ মৃত্যু হয়। এমিলি এগৰাকী বহুসৃজনক্ষম কবি যদিও মৃত্যুৰ আগতে তেওঁৰ বহু কম সংখ্যক কবিতাহে প্ৰকাশ হয়।

তেওঁৰ প্ৰতিটো কবিতাই অভিজ্ঞতাৰ এটা স্থায়ী প্ৰতিমূৰ্তি, মনৰ এটা বিক্ষিপ্ত অৱস্থা, প্ৰৱল আৱেগৰ এক বিক্ষিপ্ত অৱস্থা আৰু প্ৰৱল আৱেগৰ এক ক্ষণস্থায়ী দশা। মৃত্যুৰ সময়ত এমিলিয়ে বহু কবিতা ভনীয়েকৰ হাতত এৰি থৈ যায়। তেওঁৰ জীৱনকালত মাত্ৰ সাতটা কবিতাহে প্ৰকাশ হয়। এমিলিয়ে তেওঁৰ সাহিত্যৰ গুৰু থমাছ হিগিনচনলৈ এখন পত্ৰত লিখিছিল যে যদি খ্যাতি মোৰ জীৱনলৈ প্ৰকৃততে আহিবলগীয়া থাকে, তেতিয়াহ'লৈ মই তাৰ পৰা কেতিয়াও পলাই সাৰিব নোৱাৰো। উপৰোক্ত ভৱিষ্যতবাণীক প্ৰমানিত কৰি সঁচাকৈয়ে এমিলিৰ জীৱনলৈ খ্যাতি মৰণোত্তৰভাৱে আহিছিল। তেওঁ মানুহৰ বৃহৎসংখ্যক সমস্যাৱলীৰ ওপৰত লিখিছিল। এমিলিৰ মানুহৰ জীৱনবোধ আৰু জীৱনৰ জটিলতাৰ ওপৰত থকা জ্ঞান ইমানেই বিশাল আছিল যে তেওঁৰ সংযুক্ত দৃষ্টিভংগীৰ পৰা কোনো ধৰণৰ মানৱ অভিজ্ঞতাৰ বৈশিষ্ট্যপূৰ্ণ পৰিসৰৰ পৰা হাত সাৰিব পৰা নাছিল। মানুহ জাতিৰ জটিল সমস্যাৱলী যেনে - জীৱন আৰু মৃত্যু, ভগৱান আৰু প্ৰকৃতি, সময় আৰু অনন্তকাল, প্ৰেম আৰু আশা, সংশয় আৰু আৱেগ, ক্ষুদ্ৰ আৰু শ্ৰেষ্ঠত্ব, জাগতিক আৰু মহাজাগতিক, অসীম আৰু সসীম আদি সকলো সৰু-বৰ কথা তেওঁৰ ক্ষুদ্ৰ ক্ষুদ্ৰ কবিতাবোৰৰ বিষয়-বস্তু আছিল। কেতিয়াবা সমালোচকসকলো আচৰিত হৈছিল যে উদাসীনতাৰে জীৱন নিৰ্বাহ কৰা এগৰাকী নাৰীয়ে কেনেকৈ ইমান কৰ্তৃত্বশীলতাৰে জীৱনৰ বিস্তৃত পৰিধিৰ ওপৰত লিখিব পাৰে। প্ৰকৃততে এমিলিৰ নিজা একান্ত ব্যক্তিগত জীৱনলৈ প্ৰত্যাগমন, বাস্তৱ জগতৰ পৰা বিচ্ছিন্নতা আৰু নিসংগতাই মানুহ জাতিৰ সমস্যাৱলীৰ ভিতৰলৈ কুৰুকি কুৰুকি সোমাই যাবলৈ প্ৰেৰণা যোগাইছিল।

এমিলিয়ে এশতকৈ অধিক কবিতা মানুহৰ জীৱনৰ সমস্যা আৰু আৱেগ, সংশয় আৰু আশা হতাশাৰ মুহূৰ্ত আৰু হৰ্ষোন্মাদনাৰ ওপৰত লিখিছে। অৱশ্যে এমিলিয়ে তেওঁৰ কবিতাবোৰত জীৱন সম্পৰ্কে উপস্থাপন কৰা সকলো বিষয়ৰ ওপৰত বাস্তৱ অভিজ্ঞতা লাভ কৰা নাই। সেয়া বেছিভাগেই উদ্ভাৱনী চিন্তা সম্পন্ন জীৱনৰ কৃতকাৰ্যতা আৰু বিফলতাৰ ওপৰত এমিলিয়ে কৈছে যে কৃতকাৰ্যতাক সেইসকলেহে উপলব্ধি কৰিব পাৰে যিসকলে নেকি জীৱনত কৃতকাৰ্যতা লাভ কৰিব পৰা নাই। জীৱনৰ প্ৰকৃত আনন্দ নিহিত হৈ থাকে লক্ষ্যত উপনীত হোৱাৰ নেৰানেপেৰা প্ৰচেষ্টাত।

*'কৃতকাৰ্যতাক হিচাপ কৰা হয় সকলোতকৈ মিঠা বুলি সেইসকলৰ দ্বাৰা, যিয়ে কাহানিও কৃতকাৰ্য হোৱা নাই। কাদম্বৰীক বুজিবলৈ হ'লে প্ৰয়োজন হ'ব যন্ত্ৰণাদায়ক অভাৱ।"*

এমিলিৰ বহুসংখ্যক কবিতাই প্ৰকৃতিক কেন্দ্ৰ কৰি লিখা। অন্য ৰোমান্টিক কবিসকলৰ দৰে এমিলিও আছিল এক সৃষ্টিশীল বিৰল প্ৰতিভাসম্পন্ন ব্যক্তি। থৰিওৱে কৈছিল, "এটি নৈসৰ্গিক দৃশ্যত ঠিক সেইখিনিহে সৌন্দৰ্য্য

থাকে, যিখিনি আমাৰ দৃশ্যমান হয় আৰু যিখিনি সৌন্দৰ্যক আমি প্ৰশংসা কৰিব পাৰো এধানমানো বেছি নহয়। এজন মানুহে এটা নিৰ্দ্দিষ্ট পাহাৰৰ চূড়াৰ পৰা লক্ষ্য কৰা এটা বস্তু অন্য কিছুমান ব্যক্তিৰ দৃষ্টিত সম্পূৰ্ণ বেলেগ হয়। যিকোনো এটা বস্তুৰ ওপৰত আমাৰ সঠিক ধাৰণা নথকালৈকে আমি আচলতে বস্তুটো লক্ষ্য কৰিব নাজানো।" প্ৰকৃতিয়ে আচলতে নিজতকৈ লক্ষ্য কৰোতাৰ পৰিপ্ৰেক্ষিতহে নিজৰ সৌন্দৰ্য দাঙি ধৰে। প্ৰকৃত সৌন্দৰ্যৰ উপলব্ধি হ'ল এক আত্মপ্ৰসূত অভিজ্ঞতা। এমিলি ডিকিচনে নিজে বৰ্তাই ৰখা বৈশিষ্ট্যবাজিৰ সৈতে প্ৰকৃতি প্ৰত্যেকজন লক্ষ্য কৰোতাৰ মনৰ ভিতৰত থাকে। এমিলিয়ে যেনেকৈ প্ৰকৃতিৰ প্ৰত্যেকটো স্থায়ী বা অস্থায়ী দশাৰ ওপৰত কবিতা লিখিছিল ঠিক তেনেকৈ মৃত্যুৰ ওপৰতো বহুত কবিতাৰ সৃষ্টি কৰিছিল। এমিলিৰ বেছি সংখ্যাক কবিতাই মৰণশীলতা আৰু অমৰণশীলতাৰ ওপৰত লিখা। অৱশ্যে এক কঠোৰ নৈষ্ঠিক পৰিবেশত ডাঙৰ-দীঘল হোৱা এগৰাকী উদাৰ ও নিৰাশাবাদী নাৰীয়ে হতাশ হৈ মৃত্যুৰ দিশে অভিগমন কৰাটো নিতান্তই স্বাভাৱিক। তাৰোপৰি এমিলি অতি অন্তৰংগভাৱে চাৰ থমাচ ব্ৰাউনৰ কৰ্মৰাজিৰ লগত পৰিচিত আছিল য'ত তেওঁ দেখা পাইছিল মৃত্যুৰ কুচকাৱাজ। সম্ভৱতঃ সাম্প্ৰতিক সমাজৰ পৰা বিচ্ছিন্ন হৈ দেউতাকৰ অকলশৰীয়া ৰুমটোত নিঃসংগ ভাৱে সময়বোৰ অতিবাহিত কৰা বাবেই মৃত্যুকলৈ এমিলিৰ এক বদ্ধমূল ধাৰণাৰ সৃষ্টি হৈছিল। তেওঁৰ দৰে জীৱন মৃত্যুৰ সৈতে মুখামুখি হোৱা এক সমস্যাৰ বাহিৰে আন একো নহয়। মৃত্যুকলৈ এমিলিৰ দৃষ্টিভংগী আছিল একান্ত ব্যক্তিগত আৰু পৰম্পৰাগত। তেওঁৰ মতে মৃত্যু হ'ল এক নৱজীৱন আৰু পৃথিৱীত জীৱনটো যেনেদৰে যাপন কৰা হয় সেয়া হ'ল এক মৃত্যু।

*A death - blow is a lifeblow to some*
*Who, till they died, didnot alive become*
*Who, had they lived, had died, but when*
*They died, vitality begun.*

মৃত্যু সদায় অমৰণশীলতা আৰু অনন্তকালৰ লগত জড়িত হৈ থাকে। তেওঁ বিশ্বাস কৰে যে মৃত্যুটো ভয়াবহ নহয়। ই কেৱল দৈনন্দিন কৰ্মৰাজিৰ পৰা পৰিত্ৰাণ পোৱাৰ এক উপায় আৰু এই শোক-সন্তাপেৰে ভৰা পৃথিৱীৰ পৰা উপশম হোৱাৰ এক ব্যৱস্থাহে মাত্ৰ। মৃত্যু হ'ল এই জীৱনৰ শীৰ্ষাৰোহণ। এনেধৰণৰ অতি উচ্চ, একান্ত ব্যক্তিগত মতবাদক পোষণ কৰি এমিলিয়ে এই পৃথিৱীৰ পৰা বিদায় ল'বলৈ প্ৰস্তুত হৈছিল।

*Goodbye to the life I used to like*
*And the world I used to Know*
*And Kiss the hills for me, Just once,*
*Now I am ready to go.*

পুনৰ এমিলিয়ে কৈছে যে মৃত্যু হ'ল এক গভীৰ নিদ্ৰা, যিয়ে নাজানে কোনো দুপৰীয়া নতুবা দোকমোকালি। মৃত্যুৰ পিছত তেওঁলোকে যি অভিজ্ঞতা লাভ কৰে সেয়া হ'ল অনন্ত কাল যাৰ কোনো আমাৰ পৃথিৱীৰ দৰে সময়ৰ বিভাজন নাই। মৃত্যুৰ দীঘলীয়া আৰু গভীৰ নিদ্ৰাই অনন্তকাললৈ লৈ যায়। যিটোৰ ওপৰত চাৰ থমাচ ব্ৰাউনে লিখিছে, 'Makes pyramids pillars of snow and all that is past a moment.'

এমিলিৰ শ্ৰেষ্ঠ কবিতাসমূহ আধিভৌতিকবাদৰ অন্তৰ্ভুক্ত কৰিব পাৰি। আমেৰিকাৰ হুইটমেন আৰু এৰ্মাচনৰ কবিতাৰাজিত আধিভৌতিক ধাৰাটো স্পষ্টভাৱে লক্ষণীয়। কিন্তু ইংলেণ্ডৰ আধিভৌতিক কবিতাই এমিলি, জন ডানৰ কবিতা আৰু চাৰ থমাচ ব্ৰাউনৰ গদ্যৰাজিৰ আধিভৌতিক চিন্তাধাৰাৰ লগত সুপৰিচিত আছিল। এই ধৰণৰ কবিতাৰ বহুতো বৈশিষ্ট্যৰাজিয়েই এমিলিৰ কবিতাত পৰিস্ফুট হোৱা দেখা যায়। বিংশ শতিকা নোহোৱালৈকে এমিলি নিয়ন্ত্ৰিত আবেগ, বাসস্থান আৰু বুদ্ধিসত্তাৰ ক'লা হিচাপে কবিতাৰ প্ৰৱক্তা আছিল। এমিলিৰ কবিতাৰ কৌশলগত নিয়ন্ত্ৰণ নিৰ্ভীকতা, অপৰম্পৰাগত চিত্ৰকল্প, প্ৰবচনমূলক ক্ষণস্থায়িত্ব শব্দৰ সম্পৰীক্ষা আৰু সময়ৰ ভাৱাবেশৰ বিৰুদ্ধে এমিলিৰ বিদ্ৰোহত আধিভৌতিকবাদী প্ৰকৃতি স্পষ্টভাৱে দেখা যায়। আধিভৌতিকবাদী কবিৰ দৰে এমিলিয়ে এই পৃথিৱীখনক অপ্ৰাসংগিক আৰু বিশৃংখলাৰ সমাহাৰ বুলি কৈছে। এমিলিয়ে ভগ্ন ছন্দৰ চেতনা আৰু জীৱনৰ বিভ্ৰান্তিমূলক বাস্তৱ কবিতাৰ মাজেৰে প্ৰকাশ কৰিছে।

সমালোচকসকল অতি গভীৰভাৱে এমিলিৰ ৰহস্যবাদৰ লগত জড়িত হৈ পৰিছিল। কিন্তু ৰহস্যবাদ

শব্দটো দ্বিঅৰ্থক। ৰহস্যবাদ হ'ল শব্দাৰ্থশাস্ত্ৰ, দৰ্শনশাস্ত্ৰ আৰু ঈশ্বৰতত্ব সম্পৰ্কীয় বিদ্যাৰ এক বৰ্ণালীসদৃশ সমাহাৰ। গতিকে এই ক্ষেত্ৰত এটা কথা উল্লেখনীয় যে যেতিয়া প্ৰত্যেকজন মানুহৰ ক্ষেত্ৰত ৰহস্যবাদৰ অনুভূতি নাইবা অভিজ্ঞতা গুপ্ত হৈ থাকে তেনে ক্ষেত্ৰত এমিলিৰ ৰহস্যবাদক সামগ্ৰিকভাৱে খ্ৰীষ্টিয়ান পুৰোহিতসকলৰ দ্বাৰা উপলব্ধ ৰহস্যবাদৰ লগত একাকাৰ কৰিব নোৱাৰি। ধৰ্মতত্ব অধ্যয়ন কৰ্ত্তা আৰু পুৰোহিতসকলৰ মতে ৰহস্যবাদ হ'ল এক ধৰ্মীয় নাইবা স্বৰ্গীয় অনুভূতি। এমিলিৰ দৃষ্টিত ৰহস্যবাদ হ'ল এক স্বৰ্গীয় উন্মাদনা আৰু সৃষ্টিশীল অভিজ্ঞতা। তাত্বিক উন্মাদনাই হ'ল এক স্বৰ্গীয় চেতনা। সমালোচক লুইচ বগানে উল্লেখ কৰাৰ দৰে প্ৰকৃত ৰহস্যবাদী আৰু কবিৰ চৰিত্ৰ আৰু লক্ষ্যৰ মাজত পাৰ্থক্য আছে। এজন ব্যক্তিৰ চৰিত্ৰত ৰহস্যবাদী আৰু কবিৰ বৈশিষ্ট্যৰাজি একেলগে দেখা নাযায়। কবিৰ সৃষ্টিশীল প্ৰকাশ ভংগী নাইবা কাব্যিক অভিজ্ঞতা আৰু শ্ৰেষ্ঠ অৰ্থত ৰহস্যবাদী অভিজ্ঞতাৰ মাজত এক সাদৃশ্য লক্ষ্য কৰা যায়। ভ'ন, ডান, হাৰ্বাট, ব্ৰেক, হপকিনচ, ইলিয়ট আৰু ইটচৰ কৰ্মৰাজি গভীৰভাৱে অধ্যয়ন কৰি লুইচ বগানে নিশ্চিত কৰিছিল যে, ৰহস্যবাদীসকলৰ পোহৰৰ অভিমুখে যোৱা অগ্ৰগতিৰ আৰু কবিসকলৰ অন্তদৰ্শনৰ গভীৰতাৰ অভিমুখে যোৱাৰ অগ্ৰগতিৰ মাজত এক গভীৰ সাদৃশ্য আছে। সাধাৰণ অৰ্থত ৰহস্যবাদী আৰু কবিসকলৰ মনৰ আধাৰস্বৰূপ গাৰ্থনিটো প্ৰায় একেই যিটো চৰিত্ৰ চৰিত্ৰাংকন কৰা হয় স্বৰ্গীয় বিষয়ত অভিমুখে থকা অৰ্ন্তদৃষ্টিৰ প্ৰকৃতিগত প্ৰবল আকৰ্ষণৰ দ্বাৰা কিন্তু যেতিয়া এনেধৰণৰ ৰহস্যবাদী অনুভূতিৰ প্ৰকাশভংগী এমিলিৰ কবিতাত বিচাৰি পোৱা যায়, তেতিয়া এইটো অস্বীকাৰ কৰিব নোৱাৰি যে কবিতাবোৰৰ প্ৰতি সাধাৰণ অধ্যয়ন প্ৰকাশ কৰে খ্ৰীষ্টিয় পুৰোহিত বা ৰহস্যবাদীসকলৰ মানুহৰ অভিজ্ঞতাক লৈ সৃষ্টি হোৱা সমস্যাৰ প্ৰতি থকা অভিগমনৰ পৰা কবিৰ উল্লেখনীয় পৃথকীকৰণ। যদিও এমিলিৰ কবিতাৰ বহু হৰ্ষোন্মাদনাৰ মুহূৰ্ত বাস্তৱতাৰ উপলব্ধি সন্নিবিষ্ট হৈ আছে তথাপি তেওঁক ধৰ্মীয় ৰহস্যবাদীসকলৰ লগত তুলনা কৰিব নোৱাৰি। অন্য এটা কথাত তেওঁক যিদৰে ৰহস্যবাদী বুলি অভিহিত কৰা হয়, ঠিক তেনেদৰে কিছু সংখ্যকে তেওঁক ৰহস্যবাদী বুলি আখ্যা নিদিয়ে। তেওঁৰ ৰহস্যবাদৰ জটিলতা সহজে আয়ত্ব কৰিব নোৱাৰা (Tan talizingly) গুণবোৰেই তেওঁৰ কবিতাৰ প্ৰহেলিকাময় প্ৰকৃতি আৰু জটিল ব্যক্তিত্বৰ উৎসস্বৰূপ।

এমিলি ডিকিনচনে 'ৰহস্যবাদ' অভিধাটো তেওঁৰ সমগ্ৰ কবিতাৰাজিত মাথো চাবিবাৰ ব্যৱহাৰ কৰিছিল। ৰহস্যবাদৰ অনমনীয়তা আৰু নিৰ্ভুলতাৰ দ্বাৰা আধুনিক সময়ত সেইজন ব্যক্তিক বুজোৱা হয়, যিজনে স্বৰ্গীয় বিন্যাসৰ লগত এক সুশ্ৰাব্য ঐক্য (harmonious Unity) ৰক্ষা কৰিব বিচাৰে। কিন্তু এমিলিয়ে ৰহস্যশাস্ত্ৰৰ অনমনীয়তা (Semantic resilence) প্ৰদান কৰিছিল যেতিয়া তেওঁ ৰহস্যাবৃত, স্বৰ্গীয়, অমৰণশীল আদি বিস্তৃত পৰিসৰ ব্যৱহাৰ কৰিছিল। পৃথিৱীৰ বেছিসংখ্যক ৰহস্যবাদীৰ মতে ৰহস্যবাদ হ'ল এক অনিৰ্বচনীয় ধৰ্মীয় অভিজ্ঞতা, ভগৱানৰ লগত এক সংযোগ। কিন্তু ড'নাল্ড ই থেকৰেই মন্তব্য কৰাৰ দৰে এমিলিয়ে তেওঁৰ ৰহস্যবাদ, কলাসুলভ সৃষ্টিৰ প্ৰতি এক বৰ্দ্ধিত সুতীব্ৰ আনুগত্য হিচাপে বিকশিত কৰা যেন বোধ হয়। তেওঁৰ ৰহস্যবাদ অতিশয় কাব্যিক ক'লাৰ লগত জড়িত হৈ পৰিছিল। তেওঁৰ আধ্যাত্মিক বিষয়ৰ লগত জড়িত কবিতাবোৰেই ইয়াৰ স্পষ্ট প্ৰমাণ। ভগৱান আৰু ধৰ্মৰ প্ৰতি দ্বিঅৰ্থক দৃষ্টিভংগীয়ে তেওঁৰ অজ্ঞাতে কিছু সংঘাত প্ৰকাশ কৰিছিল যিবোৰ প্ৰকৃততে তেওঁৰ কবিতাৰ উৎস আছিল। এমিলিৰ কাব্যিক ৰহস্যবাদী অভিজ্ঞতাৰ এটা দশা হ'ল তেওঁৰ অধিভৌতিক জগতৰ লগত এক আত্মীয়তাৰ চেতনা। গতিকে মৃত্যু তেওঁৰ অন্তৰংগ বন্ধু হৈ পৰিছিল। আকৌ ই থেকৰেই (সমালোচক) অনুভূতিশীলভাৱে নিৰীক্ষণ কৰাৰ দৰে যিবোৰ সমস্যাৰ সৈতে এমিলিয়ে মুখামুখি হৈছিল সেইবোৰ আছিল কেনেকৈ আধ্যাত্মিক বিশ্বাসৰ আৱেগিক বাস্তৱতা আৰু তেওঁৰ বুদ্ধি আৰু ধৰ্ম সম্পৰ্কে বুদ্ধিসত্তাৰ স্থাপনৰ মাজত সম্পৰ্ক স্থাপন কৰিব পাৰি। তেওঁৰ সমস্যাৰ সমাধানবোৰ সংশ্লেষণৰ এক পদ্ধতি যেন অনুমান হয়। এমিলিয়ে ধৰ্মীয় আৱেগক তেখেতৰ উচ্চ সংবেদনশীল ক'লাসুলভ উপলব্ধিৰ সৈতে সংশ্লেষণ ঘটাবলৈ

বিচাৰিছিল। যিটো অগ্ৰসৰ হৈছিল ঐক্য আৰু গভীৰ স্বজ্ঞা শক্তিলৈ।

এমিলি ডিকিনচনৰ কাব্যিক ৰহস্যবাদী প্ৰকাশভংগীৰ এটা গুৰুত্বপূৰ্ণ দশা হ'ল তেওঁৰ আধিভৌতিক বা অতিপ্ৰাকৃত বিষয়বস্তুৰ লগত এক আত্মীয়তাবোধ। একেধৰণৰ ৰহস্যবাদী সুৰ এমিলি ডিকিনচনৰ প্ৰকৃতিৰ কবিতাবোৰতো লক্ষ্য কৰা যায়। মৌমাখি, পখিলা, ৰবিন (চৰাই), নিজৰা ফুল আদি প্ৰকৃতিৰ উপাদানবোৰক আধ্যাত্মিক সৃষ্টিৰ জীৱন্ত দৃষ্টান্ত হিচাপে দেখা যায়।

সদৌ শেষত আমি এটা কথা ক'ব পাৰো যে এমিলি ডিকিনচনৰ ৰহস্যবাদটো স্বৰ্গীয় আৱেগিক অভিজ্ঞতাতকৈ ইয়াৰ বুদ্ধিসত্তাৰ দ্বাৰা চৰিত্ৰাংকন কৰা হয়। তেওঁ ৰহস্যবাদীসকলৰ কৌশলবোৰ ব্যৱহাৰ কৰিছে যিবোৰক এক সৰ্ব্বোচ্চ উপলব্ধি, প্ৰেম বা ঐক্যৰ কাৰ্য বুলি অভিহিত কৰিব পাৰি। ■

অজ্ঞান মূৰ্খসকলক বাজহুৱা দায়িত্বৰ পৰা দূৰত ৰখা আৰু আটাইতকৈ জ্ঞানী লোকসকলক শাসনৰ ভাৰ দিব পৰাটোৱেই হ'ল যিকোনো এখন সমাজৰ পক্ষে আটাইতকৈ সৌভাগ্যৰ কথা।

— **কনফুচিয়াচ**

✧ ★ ✧

পৰিবৰ্তন, নতুনত্ব আৰু নতুন উদ্যমেৰে আগুৱাই নগ'লে জীৱনটো জটিল হৈ পৰে। প্ৰতিটো দিনেই এটা নতুন দিন। জীৱনে সদায় নতুনত্ব দাবী কৰে।

— প্যাৰ্কে

## লক্ষ্মীনাথ বেজবৰুৱাৰ

# 'মোৰ জীৱন সোঁৱৰণ'ত জাতীয়তাবাদী চিন্তাধাৰাৰ উন্মেষ

মীনাক্ষী তামুলী
মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ

আধুনিক সাহিত্য প্ৰতিষ্ঠাৰ সময়ছোৱাৰ সাহিত্যত এক উল্লেখনীয় বৈশিষ্ট্য হৈছে জাতীয়তাবোধ। এই কালছোৱাৰ সাহিত্যৰ আন বিশেষত্বৰ উপৰিও এটি অন্যতম প্ৰধান বিশেষত্ব হৈছে স্বদেশানুৰাগ আৰু জাতীয় চেতনাৰ উন্মেষ। গুণাভিৰাম বৰুৱা, লম্বোদৰ বৰা, কমলাকান্ত ভট্টাচাৰ্য, ভোলানাথ দাস আদিৰ ৰচনাসমূহত জাতীয় চেতনাৰ অধঃপতনৰ প্ৰতি তীব্ৰ বিদ্বেষ প্ৰকাশ পাইছিল। গতিকে দেখা যায় লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য সৃষ্টিৰ ঠিক আগে আগেই জাতীয় চেতনাৰ উত্থান হ'বলৈ আৰম্ভ কৰে। অসমত থকা আৰু অসমৰ বাহিৰলৈ যোৱা বিশেষকৈ কলিকতাৰ প্ৰবাসী অসমীয়া ছাত্ৰসমাজৰ মাজতো এই চেতনাবোধ জাগ্ৰত হ'বলৈ ধৰে। আধুনিক শিক্ষাৰে শিক্ষিত লোকসকলে এহাতে ইংৰাজ শাসনৰ শোষণ -দমন নীতিৰ প্ৰতি অতীষ্ঠ হৈ, অন্যহাতে বংগদেশৰ সাহিত্যত জাতীয় চেতনাৰ উত্থানৰ ফলস্বৰূপে অৰ্থাৎ প্ৰত্যক্ষ আৰু পৰোক্ষ জাতীয়তাবাদী চেতনাৰ ফলস্বৰূপে অসমীয়া সাহিত্যলৈ এই ভাৱধাৰা কঢ়িয়াই আনে বুলি ক'ব পাৰি।

জাতীয়তাবাদৰ উত্থানৰ অন্যতম আৰু এটা কাৰণ হৈছে - ১৯৩৬ চনত অসমীয়া ভাষাসাহিত্যলৈ অন্ধকাৰ নমাই বঙলা ভাষাক অসমৰ পঢ়াশালী আৰু আদালতত প্ৰতিষ্ঠা কৰা কাৰ্য। এই কাৰ্যই যদিও ইংৰাজসকলক সহায় কৰিছিল, অসমীয়া ভাষাক হাড়ে-হিমজুৱে ভালপোৱা বহুলোকৰ বাবে ই আছিল চৰম গ্লানিকৰ কথা। সেইবাবেই হয়তো আবদ্ধ জাতীয়বোধে ইয়াৰ পিছৰ পৰ্যায়ত আত্মপ্ৰকাশ হ'বলৈ ধৰে। এইক্ষেত্ৰত সত্যেন্দ্ৰ নাথ শৰ্মাৰ উক্তি প্ৰণিধানযোগ্য "হেমচন্দ্ৰ, গুণাভিৰাম আৰু তেখেতসকলৰ সহযোগীসকলে অসমীয়া সাহিত্যৰ যি ভেটি নিৰ্মাণ কৰিলে তাত মন্দিৰ নিৰ্মাণ কৰিবলৈ নতুন এদল পাশ্চাত্য শিক্ষিত ডেকা আগবাঢ়ি আহিল। বঙলা ভাষা স্কুল আদালতৰপৰা বহিষ্কাৰ হ'ল যদিও, বঙালীৰ প্ৰভাৱ কমা নাছিল আৰু সেই ভাষাক পুনৰ প্ৰতিষ্ঠা কৰিবলৈ তেতিয়াও চেষ্টাৰ বিৰাম হোৱা নাছিল। গতিকে সাহিত্যক টনকিয়াল কৰি নুতুলিলে আৰু সাহিত্য প্ৰচাৰৰ দ্বাৰা জাতিক আত্মচেতন কৰি তুলিব নোৱাৰিলে অসমীয়াত্ব অক্ষুন্ন ৰখা টান হ'ব ভাবিয়েই শিক্ষিত ডেকাদল কৰ্ম ক্ষেত্ৰত নামিল।"[১]

১৯৭২ চনত কলিকতীয়া অসমীয়া ছাত্ৰই অসমীয়া সাহিত্য চ'ৰা (Assamese Literary Society) স্থাপন কৰিছিল। এই সভাই কালক্ৰমত ১৮৮৮ খৃষ্টাব্দত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' ৰূপত আত্মপ্ৰকাশ কৰে। ১৮৮৯ খৃষ্টাব্দৰ জানুৱাৰীত এই সভাই 'জোনাকী' কাকতৰ জন্ম দিয়ে। লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'ৰ পাতে পাতে এই জাতীয়তাবাদ আৰু জাতীয়তাবাদী সাহিত্যৰ উত্থানৰ বিৱৰণ পোৱা যায়।

ব্যক্তিমানসত শৈশৱ আৰু কৈশোৰ কালৰ পাৰিপাৰ্শ্বিক অৱস্থা বা ঘটনাই ক্ৰিয়া কৰি পৈনত বয়সত ই সাহিত্যৰ জাতীয়তাবাদী ভাৱধাৰাত পৰিণত হয় বেজবৰুৱাৰ ক্ষেত্ৰত। সম্পূৰ্ণ জাতীয়তাবাদী পৰিয়ালত জন্মগ্ৰহণ কৰা বেজবৰুৱাৰ সাহিত্য আৰু ব্যক্তিত্ব গঠনত ক্ষুদ্ৰ ক্ষুদ্ৰ সোঁৱৰণিসমূহে ক্ৰিয়া কৰি পৰিণত বয়সত ই

পুৰঠ হৈ ব্যক্তিত্ব আৰু সাহিত্যত ধৰা দিয়ে। 'মোৰ জীৱন সোঁৱৰণ'ৰ পাতে পাতে ইয়াৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। এই গ্ৰন্থখনত প্ৰাপ্ত ঘটনাসমূহ বিশ্লেষণ কৰিলে কেইটামান কথা চকুত পৰে। এটা হৈছে সম্পূৰ্ণ জাতীয়তাবাদী ঘৰ এখনত জন্ম গ্ৰহণ কৰা বাবে জীৱনৰ ছত্ৰে ছত্ৰে ইয়াৰ আঁহ দেখিবলৈ পোৱা যায় অথবা পৈণত বয়সত কলিকতাত পঢ়িবলৈ গৈ অসমীয়া ছাত্ৰ সমাজৰ জাতীয়তাবাদী চিন্তাধাৰাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ এই ভাবধাৰা প্ৰগাঢ় হৈ পৰে। এই ভাবধাৰা উত্থানৰ অন্যতম এক কাৰণ বঙালী সম্ভ্ৰান্ত ঠাকুৰ পৰিয়ালত বিবাহ কৰাই এক প্ৰকাৰ ভাষিক আৰু সাংস্কৃতিক সংঘাতৰ মুখামুখি হৈ নিজ জাতি-ভাষা -সংস্কৃতিৰ প্ৰতি প্ৰেম অধিক গাঢ় হবলৈ ধৰে। 'মোৰ জীৱন সোঁৱৰণ' ঘটনাসমূহ বিশ্লেষণ কৰিলে এইকথা পৰিষ্কাৰ হৈ পৰে।

'মোৰ জীৱন সোঁৱৰণ' বেজবৰুৱাই নিজে অকপটভাৱে চিত্ৰন কৰা এই ছবিখন এখন সাৰ্থকতাপূৰ্ণ দলিল।[২] দ্বাদশ বছৰ ষষ্ঠ সংখ্যা বাঁহীৰ পৰা (আহিন ১৮৪৪) লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ' প্ৰকাশ কৰিবলৈ আৰম্ভ কৰে আৰু মাহে মাহে প্ৰকাশ কৰি চতুৰ্দশ বছৰ, তৃতীয় সংখ্যাত (আহাৰ ১৮.৪) বন্ধ কৰে। গ্ৰন্থখনত শিপাৰ পৰা বিকশিত হৈ ফলে মূলে জাতিস্কাৰ বৃক্ষৰ সৃষ্টি হোৱাৰ দৰে জাতীয়তাবাদী ভাবধাৰাৰ উত্থান হৈ 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ দৰে অনুষ্ঠান আৰু 'জোনাকী' কাকতৰ দৰে উচ্চমানৰ জাতীয়তাবাদী আলোচনীৰ সৃষ্টি হোৱাৰ বিশাল বিৱৰণ পোৱা যায়। বেজবৰুৱাৰ ভাষাত — 'তেওঁ (চন্দ্ৰকুমাৰ আগৰৱালাই) 'জোনাকী' নামেৰে এখন মাহেকীয়া অসমীয়া কাকত উলিয়াবলৈ থিৰ কৰি আমাৰ সৈতে পৰামৰ্শ কৰিলে। মই তেওঁক সেই কাৰ্যত নথৈ উৎসাহ দি 'জোনাকী' লৈ প্ৰবন্ধ লেখিবলৈ সাজু হ'লোঁ। ১৮১০ শকৰ মাঘ মাহত 'জোনাকী'ৰ প্ৰথম সংখ্যা ওলাল।'[৩]

এই কাকতৰ উদ্দেশ্য সম্পৰ্কে গ্ৰন্থখনত সুন্দৰ বক্তব্য পোৱা যায়। প্ৰথম সংখ্যাত চন্দ্ৰকুমাৰৰ সুলিখিত 'আত্মকথা'ত বিভিন্ন কথাৰ লগতে কোৱা হৈছিল 'ভাষালৈ আমাৰ বিশেষ চকু থাকিব অসমৰ আটাই শ্ৰেণীৰ মানুহে যেন আমাক মৰম কৰে তালৈ আমি যত্ন কৰিম। নকৈ উঠি অহা অসমৰ নিমিত্তে আমাৰ আটাই শক্তি ব্যয় কৰিম। এই পিছপৰি থকা আন্ধাৰ দেশলৈ অলপ 'জোনাক' সুমুৱাব নোৱাৰিলেও, যদি নিজে নিজেও যত্নৰ ফিৰিঙতিৰ পোহৰত বাট পাওঁ তেনে আমাৰ শক্তিৰ মিছা ব্যয় হোৱা নাই বুলি ভাবিম।"[৪]

শিক্ষা, জ্ঞান, ধন-সংখ্যা, স্বাস্থ্য, কৰ্ম সকলোতে পিছপৰি থকা অসমলৈ পোহৰ কঢ়িয়াই অনাৰ মহান উদ্দেশ্য আগত ৰাখি 'জোনাকী' কাকতৰ জন্ম হৈছিল। সেই সময়ৰ আৰ্থিক, মানসিক শক্তি, কৰ্মশক্তিৰ বিৱৰণ আৰু পটভূমিৰ বিষয়ে 'মোৰ জীৱন সোঁৱৰণ'ত বহলাই ঠন ধৰি উঠে এই সময়তেই। অন্তৰত গুপুতে সুপ্ত হৈ থকা এই ভাবধাৰা প্ৰকাশৰ এখন মঞ্চ পায় কলিকতীয়া ছাত্ৰসমাজৰ সন্মিলিত সমাজখনত। এই প্ৰগাঢ় জাতীয়তাবাদৰ ফলস্বৰূপেই লিটিকাইকে আদি কৰি বিভিন্ন গল্প, প্ৰবন্ধ, ৰস-ৰচনা, উপন্যাস আদি প্ৰকাশ পাবলৈ ধৰিলে। এই সকলোবোৰ ৰচনাৰ উদ্দেশ্য আছিল একেটাই- ঠুনুকা অসমীয়া সাহিত্য, সমাজ আৰু জাতিৰ অন্তৰত জাত্যাভিমান বঢ়াই তোলা। এই কাকতৰ জন্ম মুহূৰ্তৰ অলেখ সংঘাত আৰু পাৰ্শ্বঘটনাৰ সাক্ষী 'মোৰ জীৱন সোঁৱৰণ' গ্ৰন্থখন।

জোনাকী কাকতে কম দিনৰ ভিতৰতে যি শক্তি কঢ়িয়াই আনিলে সেই সম্পৰ্কে বেজবৰুৱাৰ ভাষাত — "এবছৰৰ জোনাকীৰ চেষ্টাই অসমীয়া ভাষাৰ কঁকালত অনেক বল দিলে আৰু ভাষাৰ আকাশত পুৱাৰ পোহৰ পৰিল। অসমীয়া ভাষাটো আমাৰ অলাগতিয়াল বস্তু, কিছুমান ইংৰাজী শিক্ষিত অসমীয়াৰ যে এটা এটা অদ্ভুত সংস্কাৰ আছিল সেইটোৱে বৰকৈ জোকাৰ খালে।"[৫] সেই সময়ত কলিকতা প্ৰবাসী অসমীয়া এই ছাত্ৰদলৰ সন্মুখত কেইবাটাও প্ৰত্যাহ্বান আছিল। সেইবোৰ হৈছে অসমীয়া ভাষাক স্বতন্ত্ৰ ৰূপত সজাই পৰাই তোলা, অসমীয়া সাহিত্যৰ সমৃদ্ধিৰ যোগান ধৰা, 'অসমীয়া'ৰ জাত্যাভিমান বঢ়াই তোলা, অসমীয়া কাকতৰ কচুপাতৰ পানীৰ দৰে অৱস্থাৰ পৰা মুক্তি দি সুস্থ-সবল সকলোৱে গ্ৰহণযোগ্য কাকত একোখনৰ সৃষ্টি কৰা।

এই উদ্দেশ্য সক্ৰিয় কৰি তুলিবৰ উদ্দেশ্য তেওঁলোকে পুৰণি পুথিবিলাক পুনৰ উদ্ধাৰ কৰি ছপা কৰিব ধৰিলে। অসমৰ সকলো পৰ্যায়ৰ বিদ্যালয়ত অসমীয়া ভাষা প্ৰয়োগ কৰিবলৈ অসমৰ শিক্ষা বিভাগৰ অধিকাৰসকলৰ মনোযোগ আকৰ্ষণ কৰিলে, অশুদ্ধ ব্যাকৰণ, অশুদ্ধ বৰ্ণবিন্যাস ক্ৰমে লোপ কৰি তাৰ সলনি পৰিভাষা ব্যৱহাৰ কৰিবলৈ পঢ়াশালি আদিত দূষিত ভাষাৰ পুথিৰ সলনি শুদ্ধ ভাষাৰ পুথি চলাবৰ বাবে আন্দোলন কৰি, শ্ৰীধৰ কন্দলি, শংকৰদেৱে আদি পুৰণি গ্ৰন্থকাৰ আৰু কবিসকলৰ পুথিৰ টীকা-টিপ্পনী লেখিবলৈ আৰু দোষ-গুণ আলচ কৰিবলৈ, অসমীয়া ভাষাত নোহোৱা লাগতিয়াল পুথি সংস্কৃত বা আনভাষাৰ পৰা অনুবাদ কৰি বা সংক্ষিপ্তসাৰ সংগ্ৰহ কৰি অসমীয়া ভাষালৈ আনিবলৈ অসমৰ প্ৰাচীন বা সেই সময়ৰ যিবিলাক ধৰ্মনীতি, সমাজনীতি, ৰাজনীতি, খেল-গাওঁ আদিৰ আনুপূৰ্ব্বিক বৃত্তান্ত সংগ্ৰহ কৰি বিস্তৃত বুৰঞ্জী লেখিবলৈ সকলো শ্ৰেণীৰ লোকৰ মাজতে বিদ্যাচৰ্চাৰ উপায় উলিয়াবলৈ, বাতৰি কাকতৰ প্ৰতি আগ্ৰহ বঢ়াবলৈ আৰু অসমীয়া ভাষাক মান্যভাষাৰ মৰ্যাদা দিবলৈ 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ই যত্ন কৰিলে। অসমীয়া জাতীয়তাবাদৰ উত্থানৰ ক্ষেত্ৰত একেধাৰে আগুৱাই নিবলৈ শংকৰী যুগৰ পিছত এই পদক্ষেপেই আছিল হয়তো আটাইতকৈ শক্তিশালী পদক্ষেপ। ই আছিল ভাষাক মৰ্যাদা, জাতিক আত্মাভিমান আৰু সাহিত্যক উচ্চ পৰ্যায়লৈ নিয়াৰ এক সক্ৰিয় বিপ্লৱ বা আন্দোলন। এই বিপ্লৱে এহাতে সাহিত্য টনকিয়াল কৰি এদল সু-সাহিত্যিকৰ সৃষ্টি কৰিছিল। প্ৰাচ্য আৰু পাশ্চাত্য প্ৰেমী সকলোৱে এই বিপ্লৱক আদৰণি জনাইছিল। বেজবৰুৱাৰ ভাষাত 'প্ৰথম সংখ্যা 'জোনাকী'তে আগৰৱালাৰ 'বনকুঁৱৰী' কবিতাটি ওলায়। যিসকলে আগেয়ে ভাবিছিল যে অসমীয়া ভাষাত বৰ্তমান কালৰ উপযোগী শুৱলা কবিতা (Poem) লেখিব নোৱাৰি, এই কবিতা পঢ়ি সেইসকলৰ শান্তি গ'ল।' সম্পূৰ্ণ আধুনিক ৰূপেৰে সজ্জিত এই আলোচনী সৰ্বসমাদৃত সাহিত্যালোচনীত পৰিণত হৈছিল।

বেজবৰুৱাৰ জাতীয়তাবাদী ব্যক্তিত্বৰ গঠনত আন এক পৰিঘটনা সংযোজিত হৈছিল বৈবাহিক সম্বন্ধেৰে। সম্ভ্ৰান্ত অসমীয়া সন্তান বেজবৰুৱাৰ এই বিবাহ বিখ্যাত বংগৰ ঠাকুৰ পৰিয়ালত হোৱাত ই দুয়োটা পৰিয়ালতে সংঘাত কঢ়িয়াই আনিছিল। বেজবৰুৱাৰ শহুৰৰ পৰিয়ালে লাহে লাহে অসমীয়া ভাষা আৰু বঙলা ভাষাৰ পাৰ্থক্য আৰু বঙলা ভাষাৰ শ্ৰেষ্ঠত্বৰ বিষয়ে লাহে লাহে তেওঁৰ লগতে আলোচনা কৰিবলৈ ধৰিলে। তেওঁলোকৰ ইচ্ছা তেওঁ অসমীয়া ভাষাৰ হকে কৰা কাম পৰিত্যাগ কৰি বঙ্গভাষাৰ উন্নতিৰ কামনাত লাগি যায়। অশেষ কষ্ট কৰিও তেওঁলোকে কিন্তু এই চেষ্টাত বিফল হ'ল। বেজবৰুৱাৰ ভাষাত অসমীয়া ভাষাৰ হকে মোৰ হাতত ডাঙৰ ৰামটাঙোন ডাল দেখি তেওঁলোকৰ মন ভাগি গ'ল। গতিকে ক'ব পাৰি সমসাময়িক জাতীয়তাবাদী ভাবধাৰাৰ উত্থানত অংশগ্ৰহণ কৰিবলৈ বেজবৰুৱাই অনেক পাৰিবাৰিক, সামাজিক সংঘাতৰ সন্মুখীন হ'ব লগা হৈছিল।

কিন্তু এই ঘটনাসমূহে বেজবৰুৱাৰ ভাষা আৰু জাতিৰ প্ৰতি শ্ৰদ্ধা বৃদ্ধিত সহায়হে কৰিলে। বঙালী লোকসকলৰ নিজৰ ভাষা-জাতিৰ প্ৰতি যি প্ৰেম তেওঁ প্ৰত্যক্ষ কৰিছিল, সেই প্ৰেম-ভক্তিৰ ধাৰা ক্ৰমে জীৱনৰ এই ঘটনাসমূহৰ পৰা নিজৰ ভাষা-সাহিত্যৰ প্ৰতি প্ৰগাঢ় হৈ পৰিল। সমসাময়িক কলিকতীয়া অসমীয়া ছাত্ৰ সমাজক বেজবৰুৱাৰ এই জাতীয়তাবাদী বলিষ্ঠ পদক্ষেপ বহু পৰিমাণে উৎসাহিত কৰি তুলিছিল।

অসমীয়া মানুহৰ হাড়ে-হিমজুৱে সোমাই থকা শংকৰী দৰ্শন, কলা কৃষ্টি আদি পুনৰুদ্ধাৰ কৰিবলৈ চেষ্টা কৰিছিল বিভিন্ন প্ৰবন্ধ আৰু জীৱনী সাহিত্যৰ মাজেদি। নিষ্পেষিত, দলিত অসমীয়া জাতিক জাত্যাভিমান শিকাই এক সুকীয়া পৰিচয় দিছিল অসমীয়া জাতিক আৰু অসমীয়া নামঘৰ, ঘৰুৱা সকাম, সামাজিক কাৰ্য সকলোতে শংকৰ মাধৱৰ প্ৰতিধ্বনি নতুনকৈ উলিয়াই অসমীয়া মানুহক নিজৰেই পাহৰা ধৰ্ম-দৰ্শনৰ তত্ত্ব উদ্ধাৰ কৰি অসমীয়া জাতিক নিজৰ আভিজাত্যৰে গৰ্বিত হবলৈ প্ৰেৰণা দিছিল বেজবৰুৱাই। এহাতে পাশ্চাত্য শিক্ষাৰে শিক্ষিত আধুনিক চিন্তাচৰ্চাক অসমীয়া সাহিত্যলৈ আমদানি, আনহাতে পুৰণি কাব্য আৰু ভাবক সুৱাগুৰি তুলি আনি আধুনিক অসমীয়া

সাহিত্যৰ সৌধ নিৰ্মাণ কৰিছিল বেজবৰুৱা আৰু সহযোগীসকলে। পুৰণিক এৰি আধুনিকক আদৰিলে শিপাহীন হ'ব সাহিত্য আৰু শিপাহীন সাহিত্য মানব সমাজৰ বাবে গ্ৰহণীয় নহবও পাৰে। বেজবৰুৱাৰ শৈশৱ কালত ঘৰতে চৰিত্ৰ তোলা প্ৰথা প্ৰচলিত আছিল। 'চৰিত্ৰ তোলা' মানে শংকৰদেৱৰ তিথিত শংকৰদেৱ, মাধৱদেৱ আৰু বদুলা আতাৰ তিথিত মাধৱদেৱ আৰু বদুলা আতাৰ আবিৰ্ভাৱৰ আগৰেপৰা তিৰোভাৱলৈকে গোটেইবোৰ ঘটনা মালিনীয়ে ফুলৰ মালা গথাঁদি সুক্ষ্মৰূপে বৰ্ণনা কৰি যোৱা হয়।" নিজৰ মনৰ পৰা সুঁৱৰি। এইবোৰ গুৰু দুজনাক কেন্দ্ৰ কৰি হোৱা অনুষ্ঠানসমূহে কম বয়সতেই— বেজবৰুৱাৰ মনত গভীৰ জাতীয়তাবাদৰ সাঁচ বহুৱাইছিল। 'মোৰ জীৱন সোঁৱৰণ'ৰ পাতে পাতে শংকৰ-মাধৱৰ কীৰ্ত্তন দশম নামঘোষাৰ উদ্ধৃতি দেখা যায়। বেজবৰুৱাৰ গ্ৰন্থাৱলীত সন্নিৱিষ্ট বিভিন্ন প্ৰবন্ধ-পাতি আদিতো দেশ-বিদেশৰ বিভিন্ন গভীৰ বিতৰ্কিত অথবা গঠনমূলক চিন্তা-চৰ্চা ইত্যাদিৰ আভাষ দিয়া দেখা যায়। অন্যান্য সাহিত্যৰ সৈতে অসমীয়া লোকসকল যাতে সমানে সমানে খোজ আগবঢ়াব পাৰে তাৰবাবে বাচকবনীয়া সাহিত্য, মনোবিজ্ঞানৰ তত্বসমূহ উঠাই আনি অসমীয়া কাকত- আলোচনীত স্থান দিছিল। এহাতে প্ৰাচ্য দৰ্শন, আনহাতে পশ্চিমীয়া ৰীতি এই দুয়ো আদৰ্শৰে আধুনিক অসমীয়া সাহিত্যৰ ভেটি নিৰ্মাণ কৰি গৈছিল বেজবৰুৱা আৰু সহযোগীসকলে।

যাৰ ফলস্বৰূপে এই সময়ছোৱাক 'বেজবৰুৱাৰ যুগ' বুলি অভিহিত কৰা হয়। 'বাণিজ্যে বসতি লক্ষ্মী' বুলি কথা এষাৰ আছে যদিও অসমীয়া মানুহ ব্যৱসায়ত পটু নহয় বুলি কোৱা হয়। কিন্তু, বেজবৰুৱাই কলিকতাত ভোলানাথ বৰুৱাৰ সৈতে কাঠৰ ব্যৱসায় কৰি উন্নতিৰ শিখৰত থিয় দিছিল। বেজবৰুৱাৰ ভাষাত কলিকতাত চিমনলাল গেণ্ডেৰীৱাল, মতিলাল ৰাধাকিষণ প্ৰভৃতি মাৰোৱাৰী ফাৰ্মো বি.বৰুৱা কোম্পানীৰ কাষত হাত পাতিবলগীয়া অৱস্থাত পৰিলহি। "ব্যৱসায়ত অসমীয়াৰ নাম কলিকতাৰ ফালে সৰ্বতোভাৱে যাতে ডাঙৰ হৈ উঠে এই উদ্দেশ্যে ব্যৱসায়ৰ বহু কাম অকলে কৰি গৈছিল। পিছত তেওঁলোকৰ মতানৈক্য ঘটিছিল কিন্তু বেজবৰুৱাই গ্ৰন্থখনত বি.বৰুৱাৰ ব্যৱসায়িক পটুতাৰ শলাগ লৈ অসমীয়া মানুহ যাতে স্বাধীনচেতীয়া ব্যৱসায়ৰ প্ৰতি আকৃষ্ট হয় সেই কথা ব্যক্ত কৰি গৈছে। ক'ব পাৰি যে সেই সময়ত অসমীয়া লোকসকলৰ পক্ষে যিবোৰ কঠিন কাম আছিল তেনেবোৰ কাম উদাহৰণস্বৰূপে কৰি দেখুৱাই অসমীয়া জাতীয়তাবাদৰ উত্থানত প্ৰভূত অৰিহণা যোগাইছিল বেজবৰুৱা আৰু সহযোগীসকলে। সততে ইউৰোপীয় সকলৰ আহিঁলৈ আগবাঢ়িব খোজাসকলৰ প্ৰতি কটাক্ষ কৰিছিল ঘৰ-চিৰিকাই ৰাজহাঁহৰ খোজ অনুকৰণ কৰিবলৈ গৈ নিজৰ খোজো পাহৰিলে; ফলত—সি জপিয়াই ফুৰে? সেই সময়চোৱাত ভাৰতৰ সকলো প্ৰান্ততে পাশ্চাত্য আদৰ্শ হোৱাই নোহোৱাই গ্ৰহণ কৰি আগবাঢ়ি যোৱাৰ যি প্ৰৱণতা তাৰ বিপক্ষে দেশীয় আহিঁৰে আগবাঢ়ি যোৱাৰ প্ৰেৰণা দেখুৱাইছিল বেজবৰুৱা আৰু সহযোগীসকলে। গ্ৰন্থখনিৰ প্ৰতিটো পৃষ্ঠাতে বেজবৰুৱাৰ কৰ্মময় জীৱন তথা প্ৰগাঢ় জাতীয়তাবাদী ভাৱধাৰা মূৰ্ত্তিমান হৈ জিলিকি আছে। এজন ব্যক্তিয়ে যেতিয়া নিজ সমাজ- সংস্কৃতিৰ পৰা আঁতৰি এক নিৰ্দিষ্ট দূৰত্বত আৰোহন কৰে তেতিয়া সেই ব্যক্তিৰ চকুত নিজ সমাজ সংস্কৃতি জাতিৰ দোষ-ক্ৰুটি অথবা গুণসমূহ পৰিস্কাৰ হৈ দেখা দিয়ে, বেজবৰুৱাৰ ক্ষেত্ৰতো এনে হৈছিল। অসমৰ পৰা আঁতৰি কলিকতাতে শিক্ষা আৰু ব্যৱসায় আৰম্ভ কৰি সাহিত্য চৰ্চা কৰা বেজবৰুৱাই নিজৰ সমাজ-জাতিক কলিকতীয়া সমাজ বা জাতি অথবা পাশ্চাত্য ভা ৱাদৰ্শৰ ভিত্তিত তুলনা কৰি চোৱাৰ অৱকাশ পাইছিল। এই দৃষ্টিভংগীয়ে তেওঁৰ সাহিত্যলৈ গভীৰতা কঢ়িয়াই আনিছিল আৰু শিপাক খামুচি ধৰি উৰ্দ্ধমুখী হোৱাৰ প্ৰৱণতা গঢ় লৈ উঠিছিল আৰু সমসাময়িক জাতীয়তাবাদৰ উত্থানত প্ৰভূত অৰিহণা যোগাইছিল।

এই ভাৱধাৰাত তীক্ষ্ণ ধাৰ দিছিল ব্যঙ্গাত্মক শৈলীয়ে। 'মোৰ জীৱন সোঁৱৰণ'ত নিজৰ সমাজৰ প্ৰাচীন ৰীতি-নীতি লগতে আত্মসমালোচনাৰ তীক্ষ্ণৰূপ প্ৰত্যক্ষ কৰা যায়। ল'ৰালি কালৰ স্কুলৰ প্ৰতি ভয় ভাৱ প্ৰকাশ পাইছে এনেদৰে — 'স্কুল মোৰ মনত ভয়ৰ ভৱন নহৈ যদি আনন্দ ভৱন হ'লহেতেন আৰু মোৰ নিচিনা দুৰ্ভগীয়া 'স্কুলাতঙ্ক ৰোগগ্ৰস্ত এশ এটা ল'ৰাৰ পক্ষে যদি তেনেকুৱাই

হ'লহেতেন, তেন্তে আমাৰ দেশত কি সুস্থ সবল দেহৰ আৰু মনৰ এচাম প্ৰজাৰ (Generation) সৃষ্টি হ'লহেতেন। সেইদৰে বলিনাৰায়ণ বৰাৰ সম্পাদিত 'মৌ' আলোচনীৰ বিষয়ে 'মৌৱে প্ৰথমৰ পৰা বঙ্গলুৱা কাকতবোৰৰ দৰে গতানুগতিকভাৱে নচলি, অৰ্থাৎ কলিকতীয়া বঙালীয়ে চলোৱা কাকতবোৰৰ নেজত ধৰি নগৈ, স্বাধীন চিন্তাৰ বাট ধৰি যাবলৈ ধৰে। আমি তেতিয়া বঙ্গলুৱা কাকতৰ খুন্দ-খোৱা অসমীয়া ছাত্ৰৰ মোনা। আমাৰ মুৰ মেলি দিলেই বঙ্গলুৱা বিদ্যাৰ মাহ-সৰিয়হ ওলাই পৰে।'[১২] প্ৰতিবাদী প্ৰবন্ধৰে যেতিয়া 'মৌ' মাৰিলে তেতিয়া খেদ কৰি লিখিছে 'আমি ল'ৰালি কৰি তেতিয়া নুবুজিলো যে 'মৌ'ৰ নিচিনা এনে জল কাকত এখন বধ কৰি আমাৰ দেশৰ কি অনিষ্ট সাধন কৰিলোঁ।'[১৩] গতিকে দেখা যায় বেজবৰুৱাৰ শানিত ব্যঙ্গাত্মক শৈলীয়ে নিজক, সমাজক, জাতিক সাঙুৰি লৈ 'মোৰ জীৱন সোঁৱৰণ'ৰ ঘটনাসমূহ বিশ্লেষণ কৰিছিল।

সামৰণিত ক'ব পাৰি যে আধুনিক যুগৰ আৰম্ভণিৰ জাতীয়তাবাদী ভাৱধাৰাৰ উত্থানত বেজবৰুৱাৰ ভূমিকা আটাইতকৈ গুৰুত্বপূৰ্ণ আছিল। বেজবৰুৱাৰ জাতীয়তাবাদী প্ৰতিটো পদক্ষেপ আছিল অতি বলিষ্ঠ। এই বলিষ্ঠ পদক্ষেপে অসমীয়া ভাষা-সাহিত্য-জাতি-সংস্কৃতিলৈ নতুন জাগৰণ আনি দিছিল। প্ৰাচ্য আৰু পাশ্চাত্য ভাব-আদৰ্শক আত্মগত কৰি সম্পূৰ্ণ অসমীয়া জাতীয়তাবাদী ৰহনেৰে সজ্জিত কৰি তুলিছিল। বেজবৰুৱাৰ শানিত ব্যঙ্গাত্মক শৈলীয়ে সমাজ নিকা কৰাত ভূমিকা লৈছিল। 'মোৰ জীৱন সোঁৱৰণ' এই সময়ৰ এখন প্ৰামাণ্য দলিল স্বৰূপ।

**সহায়ক গ্ৰন্থ ঃ**

১। বেজবৰুৱা, লক্ষ্মীনাথ ঃ মোৰ জীৱন সোঁৱৰণ, অসম সাহিত্য সভা, যোৰহাট, ১৯৬৮ চন।
২। শৰ্মা, সত্যেন্দ্ৰ নাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, গুৱাহাটী, নৱম সংস্কৰণ, ২০০১ চন।
৩। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃষ্ঠা - ৩১৭
৪। 'মোৰ জীৱন সোঁৱৰণ' পাতনি
৫। মোৰ জীৱন সোঁৱৰণ পৃষ্ঠা ৩৮
৬। প্ৰাগ উক্ত গ্ৰন্থ, পৃষ্ঠা.৯৯
৭। প্ৰাগ উক্ত গ্ৰন্থ, পৃ.১০২
৮। প্ৰাগ উক্ত গ্ৰন্থ, পৃ. ১০১
৯। প্ৰাগ উক্ত গ্ৰন্থ, পৃ.১৪৩
১০। প্ৰাগ উক্ত গ্ৰন্থ, পৃষ্ঠা ৭৮
১১। প্ৰাগ উক্ত গ্ৰন্থ, পৃষ্ঠ. ১৮৭
১২। প্ৰাগ উক্ত গ্ৰন্থ, পৃষ্ঠা
১৩। প্ৰাগ উক্ত গ্ৰন্থ, পৃষ্ঠা.৯৭
১৪। প্ৰাগ উক্ত গ্ৰন্থ, পৃষ্ঠা. ৯৮ ■

পুথি অধ্যয়নৰ যোগেদি দূৰৰ মাণিক হাততে পোৱা যায়। সঁচাকৈয়ে পুথিতে সংগৃহীত হৈ আছে মানুহৰ শ শ শতিকাজোৰা অভিজ্ঞতা।

— মহাত্মা গান্ধী

✧ ★ ✧

সত্য সবাতোকৈ মহান, কিন্তু তাতোকৈ মহান হ'ল সত্যাসন্ধানী জীৱন।

— গুৰু নানক